*সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...*

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৪৬ সংখ্যা, ২৬ কাতি, ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 46 Date Of Publication -13 November 2022 Rs.10.00/-

## ৰক্ষকেই ভইক্ষক

দেৱাশীষ গোস্বামী, নগাঁও



বিগত কিছুদিনৰ প্ৰায় সকলো বোৰ T.V. চেনেল, খবৰ বাতৰি কাকতৰ Breaking News তথা শিৰোনামা দখল কৰি অহা এটা খবৰ হ'ল ঢেকীয়াজুলিৰ এটা দূৰ্ভগীয়া পৰিয়ালৰ বনকৰা কিশোৰী এগৰাকীৰ হত্যা। আৰতি তুৰ্কি নামৰ দূৰ্ভগীয়া কিশোৰী গৰাকীক হত্যা কৰি আত্মহত্যাৰ ৰূপ দিয়া ঘটনাটোৱে সৰ্বত্ৰ আলোড়নৰ সৃষ্টি কৰিছে, নিতৌ ন ন তথ্য উন্মোচিত হৈ থকা উক্ত ঘটনাটোৰ লগত জড়িত মূল ব্যক্তি কেইজনৰ পৰিচয়ে সকলোকে আচৰ্য্যকিত কৰাৰ লগতে শংকিত কৰি তুলিছে। ঘটনা টোৰ লগত জড়িত বিভিন্ন মহলৰ প্ৰকৃত ৰূপটো দেখি সকলোৱে মনত মাথো এটাই প্ৰশ্ন, মানব সমাজ কোন দিশে ? অন্ততঃ মানুহ হিচাপে জন্ম লৈ ইমান নিকৃষ্ট কৰ্ম তেওঁলোকে কেনেকৈ কৰিব পাৰিলে? কেৱল কেইটামান পইচাৰ লোভে আমাৰ ৰক্ষক সকলেই যে ভক্ষকৰ ৰূপ ললে ভাবিলে স্তম্ভিত হৈ পৰো। মানবৰূপী দানৱবোৰৰ এনে নিকৃষ্ট কৰ্ম কাণ্ডই মানব সমাজক লজ্জানত কৰাৰ লগতে এক অতি ভয়াবহ ভৱিষ্যতৰ ইংগিত বহন কৰিছে। সময়োচিত তথা বলিষ্ঠ পদক্ষেপেহে আমাৰ সমাজখনক এক নিৰ্ভয়তা প্ৰদান কৰিব যিটো আজিৰ তাৰিখত হিমন্ত বিশ্ব শৰ্মা দেৱৰ চৰকাৰখনে তৎপৰতাৰে গ্ৰহণ কৰিছে। এনেধৰণৰ প্ৰচেষ্টা সকলো ক্ষেত্ৰতে অন্তঃবৰণেৰে কামনা কৰিলো। কেৱল দৃষ্টান্তমূলক শাস্তিয়েহে সমাজৰ পৰা বিষাক্ত কীটবোৰ নোহোৱা কৰিব পাৰিব। তাৰোপৰি দেশৰ একো একোজন দায়িত্বশীল ব্যক্তি হিচাপে আমি সাধাৰণ জনসাধাৰণৰ এনে ধৰণৰ ঘটনা ৰোধৰ বাবে উমৈহতীয়া প্ৰচেষ্টা তথা সজাগতাৰ খুবেই প্ৰয়োজন।

## 'হিন্দুস্তান টাইমছ লীডাৰশ্বীপ ছামিট'ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অংশগ্ৰহণ



ৰঙিলী বাৰ্ত্তাসেৱা- দেশৰ আগশাৰীৰ সংবাদ-পত্ৰ হিন্দুস্তান টাইমছে আয়োজন কৰা 'হিন্দুস্তান টাইমছ লীডাৰশ্বীপ ছামিট'ত অংশগ্ৰহণ কৰি অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিজেপি নাগৰিকত্ব আইন বলৱৎ কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ আৰু ইয়াৰ নীতি-নিয়ম নিৰ্ধাৰণ কৰাৰ বিষয়টো সময় সাপেক্ষ হৈ আছে। মাতৃভূমিৰ নাগৰিকত্ব লাভ কৰাটো হিন্দুসকলৰ আইনগত অধিকাৰ। বিজেপি সম্পূৰ্ণভাৱে নাগৰিকত্ব সংশোধনী আইনৰ পক্ষত আছে বুলি মন্তব্য কৰে। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নাগৰিকত্ব আইন সন্দৰ্ভত মন্তব্য কৰাৰ লগতে 'কা'ক লৈ প্ৰতিবাদ আৰু ক'ভিড-১৯ মহামাৰীৰ বাবেই এই আইনখন বলৱতত বিলম্ব হৈ আছে বুলি কয়। তেওঁ কয় - ই এক প্ৰক্ৰিয়া। কিন্তু ভাৰতীয় জনতা পাৰ্টী এতিয়াও প্ৰতিশ্ৰুতিবদ্ধ। সংসদে আইনখন গৃহীত কৰিছে। নীতি-নিয়ম নিৰ্ধাৰণৰ বিষয়টো সময়সাপেক্ষ। ইপিনে, অলপতে হৈ যোৱা কংগ্ৰেছৰ সভাপতি নিৰ্বাচনক লৈ কটাক্ষ কৰে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। সভাপতি নিৰ্বাচনত মল্লিকাৰ্জুন খাৰ্গেৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰা শশী থৰুৰক যিসকলে ভোটদান কৰিছে, সেইসকলে শীঘ্ৰেই বিজেপিত যোগদান কৰাৰ প্ৰসংগ উত্থাপন কৰে ড০ শৰ্মাই। তদুপৰি ড০ শৰ্মাই কয়- 'কংগ্ৰেছৰ তথাকথিত আভ্যন্তৰীণ নিৰ্বাচনৰ ফলাফল জ্ঞাত আছিল আৰু সেয়া ভোটগণনাৰ পূৰ্বেই ঘোষণা কৰা হৈছে। যিসকলে শশী থাৰুৰক ভোট দি সাহস দেখুৱাইছে, সেই এক হাজাৰ তিনিধিয়ে কেৱল গণতান্ত্ৰিক ব্যক্তি। মই আশা কৰোঁ সেইসকলে শীঘ্ৰেই বিজেপিত যোগদান কৰিব। শশী থাকৰেই তেওঁৰ দলীয় সহকৰ্মী মল্লিকাৰ্জুন খাৰ্গেৰ বিৰুদ্ধে যুঁজ দি সাহস দেখুৱাইছে। লক্ষণীয় যে ২০২৪ নত বিজেপি ২-৩ খন ৰাজ্যলৈ সম্প্ৰসাৰিত হ'ব আৰু পৰৱৰ্তী দুটা নিৰ্বাচনত এই সম্প্ৰসাৰণ অব্যাহত থাকিব। ২০২৯ চনৰ ভিতৰত দেশৰ সকলোতে বিজেপি দেখিব বুলি কয় ড০ শৰ্মাই।

### শিশু দিৱসৰ শুভেচ্ছাৰে...

## মৰমৰ কণ কণ শিশুলৈ

ৰূপালী মহন্ত



সোণপৰুৱাই হাঁহিছে
হাঁহি হাঁহি তুলিকাৰে
ৰং-বিৰঙৰ ছবি আঁকি
হাঁহিৰে সজাইছে জীৱনৰ ৰং।
খিলখিল হাঁহিৰে বান্ধিছে
সেন্দুৰীয়া আলি,
কিতাপৰ বেগ পিঠিত লৈ
জ্ঞান অন্বেষণৰ
এজাক পখিলা
ৰামধেনুৰ সাতোৰঙে দূৰৈৰ
সৃষ্টিৰ আকাশখন সজাই তুলিবা।
গীত এটি গুণগুণাই
আশাৰ মৰম যাচিবা
সেউজীয়া বতাহৰ সুৱাস
লৈ দেহ-মন শীতল কৰিবা
চেনেহৰ জৰীৰে সকলোৰে লগত
ঐক্য - শান্তি আৰু সমন্বয়ৰ
মাজেদি চলিবা।
শিক্ষাগুৰুৰ আদেশ মানি
বিদ্যাক কণ্ঠত ধৰিবা ৰাখি
পৃথিৱীখনক সোনাময় ৰূপ দি
মুকুতা মণি হৈ সমাজত উজ্জ্বলি
পিতৃ-মাতৃৰ হৃদয়ৰ মণিকোঠা কৰিবা শুৱনি।
মানৱতাৰ মহিমাৰে
জীৱন মহীয়ান কৰিবা
হে মোৰ দেশৰ ধৰণী
তোমালোকৰ সুকোমল চিন্তাৰে
নেহেৰু খুৰাৰ মান ৰাখি
দেশপ্ৰেমক ৰাখিবা নিজৰ কৰি।
অনাদৰ অৱহেলা
নহয় ই মনৰ কথা
কিতাপৰ নিৰ্দেশ মানি
পিতৃ-মাতৃৰ মান ৰাখি
সবল চিন্তাৰে আগুৱাই যোৱা
হাতে হাত ধৰি!!

# আনুষ্ঠানিক সাজ-পোছাক পৰিধান কৰিব লাগিব সচিবালয়ৰ সকলো বিষয়া-কৰ্মচাৰীয়ে

ৰঙিলী বাৰ্ত্তাসেৱা- অসম বিধানসভাৰ সচিবালয় কৰ্মচাৰীলৈ মুখ্য সচিবৰ কঠোৰ নিৰ্দেশনা।সচিবালয়ৰ কৰ্মচাৰীয়ে পুৱা ৯-৩০ বজাত কাৰ্যালয়ত উপস্থিত হ'ব লাগিব।আনহাতে, কৰ্মচাৰীসকলে বায়'মেট্ৰিক মেচিনত দিব লাগিব উপস্থিতিৰ প্ৰমাণ। সাজ-পোছাকক লৈও বিশেষ নিৰ্দেশনা প্ৰধান সচিবৰ। সপ্তাহৰ বুধবাৰে বিষয়া-কৰ্মচাৰীয়ে পৰম্পৰাগত সাজ-পাৰ পৰিধান কৰিব পাৰিব। বিধানসভাৰ অধিৱেশন, বিধানসভাৰ বিশেষ অনুষ্ঠানত বিধানসভাৰ সচিবালয়ে বিধি অনুসৰি প্ৰদান কৰা সাজ-পোছাক পৰিধান কৰিব লাগিব। আনুষ্ঠানিক সাজ-পোছাক পৰিধান কৰিব লাগিব সচিবালয়ৰ সকলো বিষয়া-কৰ্মচাৰীয়ে। আনুষ্ঠানিক সাজ-পোছাকত পিন্ধিব পাৰিব ছুৰিদাৰ, শাৰী, মেখেলা-চাদৰ, আনুষ্ঠানিক পেন্ট-চাৰ্ট। পুৰুষে পৰিধান কৰিব লাগিব ফৰ্মেল ড্ৰেছ।মহিলাসকলে পৰিধান কৰিব লাগিব মেখেলা-চাদৰ-শাৰী। পৰিধান কৰিব নোৱাৰিব কেজুৱেল পোছাক, টি-চাৰ্ট, জীনচ আৰু লেগিংছ। অধিৱেশনৰ সময়ত সাংবাদিকসকলেও পৰিধান কৰিব লাগিব ফৰ্মেল ড্ৰেছ। পৰৱৰ্তী বিধানসভা অধিৱেশনৰ পৰা নিয়মীয়া বিষয়া-কৰ্মচাৰীৰ লগতে অস্থায়ী আৰু ঠিকা ভিত্তিক কৰ্মচাৰীৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব এই নিয়ম।

# ৰাজ্যত উদ্বেগজনক ভাৱে বৃদ্ধি ডেংগুৰ সংক্ৰমণ



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ কেইবাখনো জিলাত ডেংগুৰ আতংকই দেখা দিছে কাৰ্বি আংলঙত আক্ৰান্ত ২৭১ জন। কামৰূপ (মঃ) ত আক্ৰান্ত ৮ জন। নগাঁও, হোজাই, চৰাইদেউ, নলবাৰীতো আক্ৰান্ত বৃদ্ধি। উল্লেখযোগ্য যে ডিফুত ডেংগুৰ ভয়াৱহ সংক্ৰমণত বৰ্তমানলৈ ৩ শতাধিক লোক আক্ৰান্ত হোৱাৰ লগতে ৩ জনৰ মৃত্যু হৈছে।যাৰ পৰিপ্ৰেক্ষিতত আজিৰে পৰা ৫ দিনলৈ ডিফুৰ সকলো স্কুল বন্ধ ঘোষণা কৰিছে।

# মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ কুইক একশ্যন



ৰঙিলী বৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পাছতে মঙলদৈৰ বিশেষ ভাৱে সক্ষম ছাত্ৰী ৰুনা বৰাৰ ঘৰত উপস্থিত মঙলদৈৰ উপায়ুক্ত প্ৰনৱ কুমাৰ শৰ্মা। দেওবাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰবিবাৰে মঙলদৈ স্থিত অসম দক্ষতা বিশ্ববিদ্যালয়ৰ ভূমি পূজন কৰিবলৈ অহাৰ সময়ত মঙলদৈ মহাবিদ্যালয়ৰ স্নাতক প্ৰথম বৰ্ষৰ বিশেষ ভাৱে সক্ষম ছাত্ৰী ৰুনা বৰাই সভাস্থলীতে মুখ্যমন্ত্ৰীক এটা বাসগৃহৰ বাবে অনুৰোধ জনাইছিল।লগে লগে মুখ্যমন্ত্ৰীয়ে এটি বাসগৃহৰ ব্যৱস্থা কৰি দিবলৈ উপায়ুক্তক নিৰ্দেশ দিছিল। মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পাছতেই আজি ৰুনা বৰাৰ ঘৰ পালেগৈ দৰঙৰ জিলা উপায়ুক্তৰ লগতে গাঁও পঞ্চায়তৰ সচিব আৰু সভাপতি তথা কাৰ্যবাহী অভিযন্তা।ৰুনাক ঘৰ সাজি দিয়াৰ বাবে সকলো ব্যৱস্থা কৰি দিয়াৰ প্ৰতিশ্ৰুতি মঙলদৈৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাৰ। ইয়াৰোপৰি ৰুনা বিশেষভাৱে সক্ষম হোৱাৰ হেতুকে সমাজ কল্যাণ বিভাগৰ দ্বাৰা পাব লগীয়া সা-সুবিধা সমূহ লাভ কৰিছে নে নাই তাকো জিলা সমাজ কল্যাণ বিভাগৰ সৈতে আলোচনা কৰি উপায়ুক্তই তাৎক্ষণিকভাৱে তদন্ত কৰে।

# দৰঙৰ নিলম্বিত অতিৰিক্ত আৰক্ষী অধীক্ষক ৰূপম ফুকনক গ্ৰেপ্তাৰ



ৰঙিলী বৰ্ত্তাসেৱা- বনকৰা কিশোৰীৰ মৃত্যুৰ তদন্তত গাঁফিলতিৰ অভিযোগত দৰঙৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ৰূপম ফুকনক গ্ৰেপ্তাৰ কৰা হৈছে। দীৰ্ঘসময় জেৰাৰ অন্তত চিআইডিয়ে ৰূপম ফুকনক গ্ৰেপ্তাৰ কৰে। আৰতী তুৰি হত্যাকাণ্ডৰ ঘটনা গাপ দিব বিচাৰিছিল অতিৰিক্ত আৰক্ষী অধীক্ষক ৰূপম ফুকনে। কিছুদিন পূৰ্বে একেই গোচৰতে গ্ৰেপ্তাৰ হৈছিল ধূলা থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া উৎপল বৰা। উৎপল বৰা ৫ লাখৰ বিনিময়ত মেনেজ হৈছিল। উৎপল বৰাৰ স্বীকাৰোক্তিৰ ভিত্তিতে অতিৰিক্ত আৰক্ষী অধীক্ষক ৰূপম ফুকনক জেৰা কৰা হৈছিল।

# নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ নিয়মীয়া ৮,০০০ শিক্ষকৰ পদ বিলুপ্তি কৰা হৈছে



ৰঙিলী বৰ্ত্তাসেৱা- শিক্ষা বিভাগৰ এক নিৰ্দেশনাত ৮,০০০ নিয়মীয়া শিক্ষকৰ পদসমূহ বিলুপ্তি কৰাৰ কথা জানিব পৰা গৈছে। বিত্তীয় সংকটৰ দোহাই দি ২০২০ চনৰ ২৬ মে'ত কেবিনেটে গ্ৰহণ কৰা সিদ্ধান্ত মতে, নিয়মীয়া এই খালী পদসমূহত নিযুক্তি দিয়াৰ পৰিৱৰ্তে ৰিজাৰ্ভ কৰি ৰখা হৈছিল। উল্লেখযোগ্য যে ২০২০ চনত সেই সময়ত ষ্টেট পুল শিক্ষকসকলক নিয়মীয়াকৈ দৰমহা দিয়াৰ বাবে নিম্ন প্ৰাথমিক বিদ্যালয়ৰ ৪,২৮৫ টা আৰু উচ্চপ্ৰাথমিকৰ ৩,৭১৫টা মুঠ ৮,০০০ নিয়মীয়া খালী শিক্ষকৰ পদত নিযুক্তিৰ পৰিৱৰ্তে বিত্তীয় অৱস্থা ভাল হ'লে নিযুক্তি দিবলৈ ৰিজাৰ্ভ কৰি ৰখা হৈছিল। ৰিজাৰ্ভ হৈ থকা এই খালী পদসমূহত ষ্টেট পুল বা ঠিকাভিত্তিক টেট শিক্ষকক নিয়মীয়া হিচাপে নিযুক্ত কৰাৰ পৰিৱৰ্তে পদসমূহ বিলোপ সাধন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে শিক্ষা বিভাগে। শিক্ষা বিভাগে মহাগাণনিকলৈ লিখা এখন পত্ৰত বৃহৎসংখ্যক নিয়মীয়া শিক্ষকৰ পদ বিলোপ হোৱাৰ তথ্য ফাদিল হৈছে। অৰ্থাৎ এই ৮, ০০০ নিয়মীয়া শিক্ষকৰ পদত ঠিকাভিত্তিক টেট বা ষ্টেট পুলৰ শিক্ষকক নিযুক্ত কৰাই নহয় নতুন নিবনুৱাকো নিযুক্তিৰ পথ আজিৰ পৰা চিৰদিনলৈ ৰুদ্ধ হৈ পৰিল।

# ৰাজ্যত অতিৰিক্ত শিক্ষকৰ প্ৰয়োজন নাই ঃ শিক্ষা মন্ত্ৰী ৰণোজ পেগু



ৰঙিলী বাৰ্ত্তাসেৱা- ৮ হাজাৰ শিক্ষক পদৰ বিলুপ্তিক লৈ কাহিলিপাৰাৰ সৰ্বশিক্ষা অভিযান মিছন কাৰ্যালয়ত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি এখন সংবাদমেলৰ আয়োজন কৰে। সংবাদমেলত মন্ত্ৰী গৰাকীয়ে কয় যে, 'ৰাজ্যত অতিৰিক্ত শিক্ষকৰ প্ৰয়োজন নাই। বৰ্তমান ২ লাখ ২১ হাজাৰ ৪৭ গৰাকী শিক্ষক কৰ্মৰত অৱস্থাত আছে। ৰাজ্যত ৪৯ লাখ শিক্ষাৰ্থীয়ে শিক্ষা গ্ৰহণ কৰি আছে। ছাত্ৰ-ছাত্ৰী অনুপাতে ৰাজ্যত পৰ্যাপ্ত শিক্ষক আছে। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৫০ লাখতকৈ অধিক হ'লেহে নতুন শিক্ষকৰ প্ৰয়োজন হ'ব।' তেওঁ লগতে উল্লেখ কৰে যে, বিদ্যালয়ত আন্তগাঁথনি নিৰ্মাণৰ ক্ষেত্ৰত চৰকাৰ সফল হৈছে।উচ্চশিক্ষাত ড্ৰপ আউট হ্ৰাস কৰিবলৈ সক্ষম হৈছে। ৰাষ্ট্ৰীয় পৰ্যায়ৰ সমান্তৰালকৈ অসমত ড্ৰপ আউট ডাবল হৈছে। পাৰ্ফমেণ্ডৰ ফালৰ পৰা দেশৰ ৬ নম্বৰ স্থানৰ পৰা ৪ নং স্থানলৈ আগুৱাইছে অসম।

# নলবাৰীৰ ৰাসস্থলীত চাওমিন খোৱাৰ পিছতে অসুস্থ হৈ কিশোৰীৰ মৃত্যু

ৰঙিলী বাৰ্ত্তাসেৱা- নলবাৰীত সংঘটিত হৈছে এক শোকাবহ ঘটনা। খাদ্যত বিষক্ৰিয়া হৈ এগৰাকী কিশোৰীৰ মৃত্যু হয়। মৃত্যু হোৱা কিশোৰীগৰাকীৰ নাম নাজমিন চুলতানা। জানিব পৰা মতে বুধবাৰে নিশা কিশোৰীগৰাকীয়ে ৰাসস্থলীত থকা এখন অস্থায়ী বিপণিত চাওমিন খাইছিল। চাওমিন খোৱাৰ পিছতে কিশোৰীগৰাকী অসুস্থ হৈ পৰিছিল। ইয়াৰ পাছতেই কিশোৰী গৰাকীক চিকিৎসালয়লৈ নিয়া হৈছিল যদিও চিকিৎসালয়তে মৃত্যু হয় নাজমিন চুলতানাৰ।এই ঘটনাই সমগ্ৰ নলবাৰীত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

# ভাৰতীয় মহিলা ক্ৰিকেট দললৈ নিৰ্বাচিত মঙলদৈৰ জিণ্টিমণি কলিতা





ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতীয় মহিলা ক্ৰিকেটৰ ১৯ অনুৰ্দ্ধৰ দলত স্থান পালে অসমৰ এগৰাকী কিশোৰীয়ে। ১৯ অনুৰ্দ্ধৰ ভাৰতীয় মহিলা ক্ৰিকেট দললৈ নিৰ্বাচিত হৈছে মঙলদৈৰ উদিয়মান মহিলা ক্ৰিকেটাৰ জিণ্টিমণি কলিতা। জিণ্টিমণিয়ে আগন্তুক ১৩ নৱেম্বৰৰ পৰা ১৯ নৱেম্বৰলৈ বিশাখাপট্টনমত অনুষ্ঠিত হ'বলগীয়া ত্ৰিদেশীয় ক্ৰিকেট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰক ব'ৰ্ডে অনুষ্ঠিত কৰিছে এই প্ৰতিযোগিতাখন। প্ৰতিযোগিতা খনত ভাৰতৰ উপৰিও থাকিব ৱেষ্ট ইণ্ডিজ আৰু শ্ৰীলংকা। প্ৰতিযোগিতাখনত ভাৰতৰ এ আৰু বি দুয়োটা দলে অংশগ্ৰহণ কৰিব। জিণ্টিমণি ভাৰতীয় এ দলটোলৈ নিৰ্বাচিত হৈছে। উল্লেখযোগ্য যে মঙলদৈ শান্তিপুৰ নিবাসী নকুল কলিতা আৰু শেৱালী কলিতাৰ সন্তান জিণ্টিমণি কলিতা। মঙলদৈ নগৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নৱম শ্ৰেণীত পঢ়ি থাকোতে ১৯ অনূৰ্দ্ধ অসম দলৰ হৈ ৰাষ্ট্ৰীয় পৰ্যায়ৰ ক্ৰিকেট প্ৰতিযোগিতাত খেলিবলৈ যোৱা জিণ্টিমণি কলিতাই ইতিমধ্যে ২৩ বছৰ অনূৰ্দ্ধ অসম দলৰ হৈয়ো খেলিছে।

# নিয়মীয়া ঔষধ খুওৱা বন্ধ কৰা বাবেহে মৃত্যু হৈছিল মাজুলীৰ তেজস্বীতাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- পোহৰলৈ আহিল মাজুলীৰ কণমানি তেজস্বীতা বৰুৱাৰ মৃত্যুৰ প্ৰতিবেদন। মৃগী ৰোগী আছিল তেজস্বিতা। নিয়মিতভাৱে খুওৱা নাছিল ঔষধ। মাক দেউতাকে ঔষধ খুওৱা বন্ধ কৰা বাবেহে মৃত্যু হৈছিল তেজস্বীতাৰ। মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনৰ তথ্য প্ৰকাশ কৰি মাজুলীত এই মন্তব্য মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ। মুখ্যমন্ত্ৰী গৰাকীয়ে কয় যে, 'মাজুলীৰ উদীয়মান শিল্পী তেজস্বিতাৰ চিকিৎসকৰ গাফিলতিত মৃত্যু হোৱা নাছিল। নিয়মীয়া ঔষধ সেৱন বন্ধ হৈ থকাৰ বাবেহে মৃত্যু হৈছিল তেজস্বিতাৰ। মাক দেউতাকে ঔষধ খুওৱা বন্ধ কৰা বাবেহে তেজস্বীতাৰ মৃত্যু হৈছিল।' মাজুলীৰ চিকিৎসা ব্যৱস্থাক লৈ মুখ্যমন্ত্ৰী গৰাকীয়ে লগতে কয় যে, 'মাজুলীত চিকিৎসাৰ ব্যৱস্থা উন্নত কৰিবলৈ হ'লে সাংবাদিকসকলে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগিব। মাজুলীলৈ অহা চিকিৎসকক মৰম-চেনেহৰ বান্ধোনেৰে বান্ধি ৰাখিব লাগিব। চিকিৎসকৰ অকল বেয়া কামেই নহয় চিকিৎসকে কৰা ভাল কামবোৰ নিউজ কৰিব লাগে।'

# ভাৰতীয় জনতা পাৰ্টি মিত্ৰজোঁটৰ অপ্ৰতিৰোধ্য আৰু অবিৰত জয়যাত্ৰা অব্যাহত



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ সভাপতি ভবেশ কলিতাই সদ্য ঘোষিত দেউৰী স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচনত বিজয় লাভ কৰা মিত্ৰজোঁটৰ প্ৰাৰ্থী সকলক আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছে। কলিতাই কয়, দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ডাবোল ইঞ্জিনৰ চৰকাৰখনৰ প্ৰতি দেউৰী পৰিষদীয় সমষ্টিৰ ৰাইজে সমষ্টিৰ সৰ্বাঙ্গীন উন্নয়নৰ স্বাৰ্থত বিপুল সংখ্যক সমৰ্থন প্ৰদান কৰি মিত্ৰজোঁটৰ চৰকাৰখনৰ লগতে প্ৰাৰ্থী কেইজনক যি মৰম আৰু সমৰ্থন আগবঢ়ালে তাৰ বাবে দেউৰী পৰিষদীয় সমষ্টিৰ সকলো ৰাইজক আন্তৰিক ধন্যবাদ আৰু অভিনন্দন জ্ঞাপন কৰিলোঁ। এই অভূতপূৰ্ব সফলতাৰ বাবে ৰাজ্যিক সভাপতি গৰাকীয়ে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, ভাৰতীয় জনতা পাৰ্টী, অসম প্ৰদেশৰ ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক ফণীন্দ্ৰ নাথ শৰ্মা, অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী শ্ৰীৰামেশ্বৰ তেলী, অসম চৰকাৰৰ মাননীয় মন্ত্ৰী, বিধায়ক, সাংসদসকল, মিত্ৰদল অসম গণ পৰিষদৰ সভাপতি অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্তৰ লগতে ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ ৰাজ্যিক বিষয়ববীয়া সকল, বিভিন্ন মৰ্চাৰ বিষয় ববীয়া সকল, মিত্ৰদল অসম গণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াসকল আৰু শ্ৰদ্ধাৰ ভাৰতীয় জনতা পাৰ্টী আৰু অসম গণ পৰিষদৰ শ্ৰদ্ধাৰ দলীয় কাৰ্যকৰ্তা সকলক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ কয় যে দলীয় কাৰ্যকৰ্তাৰ অশেষ কষ্ট, সততা আৰু দায়বদ্ধতাৰ ফলস্বৰূপে এই বৃহৎ সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছো।

# লাভলীনাৰ সোণৰ পদক জয়



ৰঙিলী বাৰ্ত্তাসেৱা- টকিঅ' অলিম্পিকৰ ব্ৰঞ্জ জয়ী লাভলীনা বৰগোহাঁয়ে জৰ্ডানৰ আমানত চলি থকা এছিয়ান বক্সিং চেম্পিয়নশ্বিপত সোণৰ পদক অৰ্জন কৰিছে। উল্লেখযোগ্য যে, মহিলা বক্সিঙৰ ৭৫ কেজি শাখাত লাভলীনা বৰগোঁহাইয়ে স্বৰ্ণ পদক লাভ কৰে। ফাইনেলত উজবেকিস্তানৰ ৰুজমেট'ভা শুখিবাৰ বিৰুদ্ধে ৫ - ০ ব্যৱধানত জয়ী হয় লাভলিনা বৰগোঁহাই। জৰ্ডানৰ আমানত অনুষ্ঠিত হৈছিল এইপ্ৰতিযোগিতা। লাভলীনাৰ এই সফলতাত ৰাজ্যবাসীৰ লগতে উৎফুল্লিত হৈ পৰিছে সমগ্ৰ দেশবাসী। উল্লেখযোগ্য যে, ভাৰতীয় মহিলা বক্সাৰ ছুইটা আৰু পাৰবিনেও আন আন শাখাত সোণৰ পদক লাভ কৰে।

# কান্দা পাৰা ডাইমণ্ড ষ্টুডেণ্টচ ক্লাবৰ উদ্যোগত হাতেম আলী চেগুন বাগান খেল পথাৰত নৈশ বাৰ্ষিক প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ মহাৰণ



ৰঙিলী বাৰ্ত্তাসেৱা- চূড়ান্ত ফুটবল খেল খন উদ্বোধন কৰে নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে। কান্দা পাৰা ডাইমণ্ড ষ্টুডেণ্টচ ক্লাবৰ উদ্যোগত হাতেম আলী চেগুন বাগান খেল পথাৰত বাৰ্ষিক প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ নৈশ চূড়ান্ত ফাইনেল খেল উপভোগ কৰে অসংখ্য দৰ্শকে। কান্দা পাৰা ডাইমণ্ড ষ্টুডেণ্টচ ক্লাবৰ উদ্যোগত অনুষ্ঠিত হয় প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাখন। এই প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰে বিজয় পুৰ এফ চি ফুটবল দল বনাম নৰ্থ সংগ্ৰাম এফ চি ফুটবল দলে। কান্দা পাৰা ডাইমণ্ড ষ্টুডেণ্টচ ক্লাবৰ উদ্যোগত চলি থকা প্ৰাইজমানী ফুটবল প্ৰতিযোগিতা আজি সন্ধিয়া ৮ বজাত চূড়ান্ত ফাইনেল খেল অনুষ্ঠিত কৰা হয়। বঁটা বিতৰণী সভাত সভাপতিত্ব কৰে চানখোলা গাওঁ পঞ্চায়তৰ সভাপতি জেহেৰুল ইছলামে। সন্ধিয়া ছয় বজাত সাংস্কৃতিক অনুষ্ঠানত উপস্থিত থাকে অসমৰ জনপ্ৰিয় কণ্ঠ শিল্পী ৰুণু বেগম। উদ্বোধনী খেল খনত উপস্থিত থাকে নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈ, বহা সমষ্টিৰ বিধায়ক শশিকান্ত দাস, শিক্ষক দয় ক্ৰমে আলী আকাবৰ, আবুল কালাম, আব্দুল হাচিম চৌধুৰী, নুৰ জামাল ছামচুল হক, চাংজিলা

( পাঁচ পৃষ্ঠাত চাওক)

# ধৰ্ম আৰু অধৰ্মৰ প্ৰকৃত অৰ্থ

ব্ৰহ্মাকুমাৰ আকাশ সাহা, সৰভোগ



জগতত ধৰ্মৰ বিষয়লৈ বহু চৰ্চা কৰা হৈছে। আজিলৈকে আমি ধৰ্মক পূজা-অৰ্চনা, নীতি-নিয়ম আদিবোৰক বুজি আহিছো। মানৱ জীৱনত প্ৰেম, শান্তি, ঐক্য, সদিচ্ছা, মিলন, ভাতৃত্ববোধ আদি গুণৰ বীজ সিঁচিবলৈ পৃথিৱীত ধৰ্মসমূহৰ প্ৰতিষ্ঠা হৈছিল। গৌতম বুদ্ধই বৌদ্ধ ধৰ্মৰ যোগেদি করুণাৰ প্ৰচাৰ কৰিছিল, মহাবীৰ স্বামীয়ে জৈন ধৰ্মৰ যোগেদি অহিংসাৰ প্ৰচাৰ কৰিছিল, যিচু খ্ৰীষ্টই খ্ৰীষ্টান ধৰ্মৰ জৰিয়তে প্ৰেম আৰু সেৱাৰ প্ৰচাৰ কৰিছিল, সনাতন ধৰ্মই পবিত্ৰতা আৰু সৎকৰ্মৰ প্ৰচাৰ কৰিছিল, মুছলমান ধৰ্মই আল্লাহৰ সকলো সেৱকৰ মাজত ঐক্য আৰু সম্প্ৰীতিৰ প্ৰচাৰ কৰিছিল। কিন্তু এতিয়া ধৰ্মবোৰৰ মূল্য নাইকিয়া হৈ গৈছে। সেইবাবে আমি ধৰ্মৰ প্ৰকৃত অৰ্থৰ পৰা বিচলিত হৈ আছোঁ।

আজিৰ পৃথিৱীত যি দুখ-অশান্তি বিয়পি আছে, সেয়া অধাৰ্মিকতাৰ বাবেই বিয়পি পৰিছে। কেৱল মানুহেহে অধাৰ্মিকতা কৰে কাৰণ মানুহে প্ৰকৃততে কোন সেইটোও নাজানে। তেওঁ আনকি নাজানে যে বাস্তৱত তেওঁ আত্মা, দেহৰ পৰা পৃথক পোহৰৰ এটা সূক্ষ্ম বিন্দু, দেহ মাথোঁ হাড় আৰু মাংসৰ প্ৰতিমূৰ্তি, আত্মাৰ ৰথ, যাৰ বাবে আত্মা ৰথী হৈ পৰে। নিজকে দেহ বুলি গণ্য কৰাৰ বাবেই মানুহে ৰাতিপুৱাৰ পৰা গধুলিলৈকে বহুতো অসৎ কৰ্ম কৰে।

এতিয়া প্ৰশ্ন উত্থাপন হয় যে যেতিয়া বাস্তৱত আত্মা হৈছে এই হাড়-মাংসৰ দেহটো চলোৱা সূক্ষ্ম শক্তি, তেতিয়া মোৰ আত্মাৰ প্ৰকৃত আত্মধৰ্ম কি বা স্ব-ধৰ্ম কি, সেই কথা বিবেচনা কৰা উচিত। কাৰণ আত্মাক নিজেই তাৰ কৰ্মৰ ভিত্তিত দেৱতা, মহান আত্মা, ধৰ্মাত্মা বুলি কোৱা হয়। মানৱ ৰূপত আত্মাৰ প্ৰথম ধৰ্ম তেওঁৰ মাজত 'দয়া' হ'ব লাগে, তেওঁৰ 'উদাৰতা' থাকিব লাগে। করুণা থাকিব লাগে, ক্ষমা থাকিব লাগে, ইয়াত দয়াৰ অনুভূতি থাকিব লাগে, সকলোৰে প্ৰতি সদিচ্ছা থাকিব লাগে। এই ঐশ্বৰিক গুণ বা মূল্যবোধৰ বৰ্ণনা প্ৰতিটো ধৰ্মতে পোৱা যায়, সেয়া হিন্দুই হওক বা মুছলমানেই হওক বা শিখ ধৰ্ময়ে হওক বা খ্ৰীষ্টান ধৰ্ময়ে হওক বা আন কোনো ধৰ্মই হওক। সকলো ধৰ্মই এটা সময়ত আত্মাৰ এই ঐশ্বৰিক গুণবোৰ গ্ৰহণ কৰিছে, তেতিয়াহে তেওঁলোকৰ ধৰ্মীয় গ্ৰন্থত ইয়াৰ বৰ্ণনা সকলোতে পঢ়িব আৰু বুজিব পৰা যায়। আচলতে এই ঐশ্বৰিক গুণ বা মূল্যবোধবোৰেই হৈছে মানৱ সমাজ বা তেওঁলোকৰ ব্যক্তিগত ধৰ্মৰ ঐশ্বৰিক অলংকাৰ বা সঁচাকৈয়ে ক'বলৈ গ'লে মানুহ হোৱাটোৱেই প্ৰকৃত মানৱতা। যেতিয়া আপুনি কাৰোবাক ক্ষমা কৰিব নোৱাৰিব, কাৰোবাৰ প্ৰতি দয়া দেখুৱাব নোৱাৰিব, যেতিয়া কাৰোবাৰ প্ৰতি সময়মতে মমতা দেখুৱাব নোৱাৰিব, যেতিয়া কাৰোবাৰ প্ৰতি বেয়া অনুভৱ ত্যাগ কৰি শুভভাৱনা-শুভকামনা ৰাখিব নোৱাৰিব, তেতিয়া এই সকলোবোৰ অভাৱৰ বাবে আপুনি যেতিয়া ৰাতিপুৱাৰ পৰা সন্ধিয়ালৈকে কৰ্মলৈ আহে, তেতিয়া আপুনি বহুতৰে লগত অধাৰ্মিক কাৰ্য্য কৰি আছে। অধৰ্ম কৰা সকলৰ বাবে শাস্ত্ৰত কোৱা হৈছে যে তেওঁলোক নৰকলৈ যায়। নৰকৰ বিষয়টোতো এৰিয়ে দিয়ক, তেওঁ প্ৰতিদিনে কৰা বহুতো অধাৰ্মিক কৰ্মৰ বাবে মানুহে ইয়াত নৰক সদৃশ অত্যাচাৰ ভুগিবলগীয়া হৈছে। সি কৰ্ম ভোগৰ পৰা বাচিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিলেও নোৱাৰিব। যদিও তেওঁৰ প্ৰত্যক্ষ সম্পৰ্ক ঈশ্বৰৰ সৈতে আছে! তেতিয়াও কৰ্মৰ পৰিশোধৰ পৰা কোনেও মুক্ত হ'ব নোৱাৰে। কৰ্মৰ প্ৰতিফল কেতিয়া, কেনেকৈ, কি সময়ত, কি অৱস্থাত, কি বয়সত, কোন স্থানত এজন ব্যক্তিয়ে ভোগিব লাগিব কেতিয়াও জানিব নোৱাৰে। আত্মাৰ এই ব্যক্তিগত গুণবোৰ গ্ৰহণ নকৰি আমি যদি আমাৰ জীৱনত নেতিবাচকতাক স্থান দিওঁ আৰু ইয়াৰ দ্বাৰা প্ৰভাৱিত হৈ আমি আন মানুহৰ লগত কৰ্মত আহো, তেন্তে এই অধাৰ্মিকতাৰ বাবেই মানুহে নিজেই পৃথিৱীখনক নৰকৰ দৰে কৰি তুলিছে, আন কোনো নৰকলৈ যোৱাৰ প্ৰয়োজন নাই। সেয়ে পৃথিৱীৰ সকলো ঠাইতে চালে এজন ব্যক্তিয়ে ইয়াত কোনোবা নহয় কোনোবা ৰূপত তেওঁৰ কাৰ্মৰ পৰিশোধ লাভ কৰি আছে। এতিয়া প্ৰতিজন মানৱ আত্মাই নিজৰ প্ৰকৃত ধৰ্মটো জানিব লাগে। সেই প্ৰকৃত ধৰ্ম হ'ল আত্মাৰ ধৰ্ম বা মানৱতাৰ ধৰ্ম, য'ত ঐশ্বৰিক গুণৰ সুগন্ধি আছে, আৰু যেতিয়া আপুনি তাক জানিব, তেতিয়া আপুনি আপোনাৰ ভুলৰ বিষয়ে জানিব পাৰিব যে সুখ, শান্তি আৰু আনন্দ যাক বিচাৰি আছিলো, সেইবোৰ মোৰ ভিতৰত আছে। কাৰণ আত্মা আদিহীন ৰূপত শান্তিপূৰ্ণ, জ্ঞানৰ মূৰ্ত, সুখৰ মূৰ্ত, নিৰ্মল ৰূপ, শক্তিৰ মূৰ্ত। গতিকে যেতিয়া আপুনি আত্মাৰ ধৰ্মত অৱস্থিত হ'ব, তেতিয়া আপুনি আপোনাৰ মন, বাক্য আৰু

(আঠপৃষ্ঠাত চাওক)

# বিশ্বাস আৰু সন্দেহ

জুনু গোস্বামী খাওন্দ




বিশ্বাস- এই শব্দটোৰ গভীৰতা কিমান, তাক উপলব্ধি কৰিব পৰা জনহে প্ৰকৃত সুখী মানুহ বুলি ক'ব পাৰি। এখন সংসাৰ অৰ্থাৎ স্বামী - স্ত্ৰীৰ মাজত বিশ্বাসৰ ভেটি দৃঢ় নহ'লে সন্দেহ শব্দটোৱে নিগাজীকৈ বহি ল'বলৈ সুবিধা পায়। গতিকে একোখন সংসাৰ ধ্বংস হোৱাৰ বহু কাৰণৰ ভিতৰত এটা প্ৰধান কাৰণ হৈছে সন্দেহ। ই কেঞ্চাৰৰ দৰে মাৰাত্মক ব্যাধি। কেঞ্চাৰ বেমাৰটোৰ দৰেই ই খুলি খুলি খাই নিঃশেষ কৰিহে এৰিব। যেতিয়ালৈ আচল সত্যটো ওলাব, তেতিয়ালৈ সংসাৰখন মৃত্যুৰ শেষ পৰ্যায় পাবগৈ। সেই বাবে ই স্বামী - স্ত্ৰীৰ মাজত যথেষ্ট বুজাবুজিৰ প্ৰয়োজন। ইয়াৰ মূল চালিকা শক্তি হৈছে প্ৰতিদিনেই স্বামী - স্ত্ৰীৰ মাজত বন্ধুত্বপূৰ্ণ ভাবে হাঁহি-স্ফুৰ্তিৰে এটা পৰিৱেশ গঢ়ি তুলিব পৰাটো। সন্তান সকলৰো মানসিক গঠনত ই যথেষ্ট সহায় কৰে। মাক - দেউতাকৰ মুখত হাঁহি দেখিলে অবোধ শিশু এটিয়েও অজানিতে এক বিমল আনন্দ অনুভৱ কৰে।

এতিয়া কথা হ'ল - সন্দেহনো কেনেকৈ আহে? ইয়াৰ বহু কাৰণ আছে আৰু ভাবি চালে কাৰণবোৰ নিচেই সামান্য। মূলতঃ ভুল বুজাবুজি। তাৰে দুটা মান নমুনা পাঠকসকললৈ আগবঢ়ালোঁ।

এবাৰ মানুহ এঘৰলৈ আমাৰ লগতে আৰু দুটা মান পৰিয়ালক নিশাৰ সাজ একেলগে খাবলৈ নিমন্ত্ৰণ কৰিলে। তাৰে দুটা পৰিয়াল আমি আগতে লগ পোৱা নাই। কিন্তু তাৰে এগৰাকী স্বামীক দুবাৰমান লগ পাইছো। সেইদিনা তেওঁ অহা নাই। মানুহগৰাকীক লগ পাবলৈও মন গৈ আছিল। লগ পোৱাৰ পিছত মই তেওঁক ইমান ধুনিয়া দেখিছোঁ যে খন্তেক সময় মূৰৰ পৰা ভৰিলৈকে তধা লাগি চালোঁ। চকু, চুলি, গাৰ ৰং, উচ্চতা, গহীন-গম্ভীৰ, পিন্ধনত মাৰ্জিত, মুঠতে মোৰ চকুত অপৰূপা। কিন্তু ইমান ধুনিয়া গোল গোল চকুযুৰি ইমান উদাস কিয় - মোৰ মনতে প্ৰশ্ন জাগিল আৰু তাৰ উত্তৰ বিচাৰিহে এৰিম বুলি মনে মনে থিৰাং কৰিলোঁ। মই দুই-এটা কথা পতাৰ পিছতে 'তুমি ইমান ধুনিয়া' বুলি কৈয়েই দিলোঁ। কিন্তু তেওঁ শেঁতা হাঁহি এটাহে মাৰিলে।

তাৰ কেই দিনমানৰ পিছত তাত লগ পোৱা এগৰাকী মহিলা আমাৰ ঘৰলৈ ফুৰিবলৈ আহিল। কথাৰ মাজতে ৰ'ব নোৱাৰি কথাটো খোলাখুলিকৈ সুধিয়ে পেলালো। তেওঁ সাধাৰণতে মোৰ আগত কিছুমান কথা মুকুলিকৈ ক'বলৈ বেয়া নাপায়। তেওঁ ক'লে - 'তাই লৈ বেয়াই লাগে, ধুনিয়াটোৱেই তাইৰ কাল হ'ল। স্বামী উচ্চপদস্থ চাকৰিয়াল। ভিন্ন ঠাইত বদলি হৈ থাকে বাবে তেওঁলোকৰ একমাত্ৰ সন্তানক পঢ়াৰ সুবিধাৰ বাবে গুৱাহাটীত ৰাখিছে। স্বামীলৈ তাইৰ বাঘৰ সমান ভয়। স্বামীয়ে তাইক সন্দেহ কৰে। ইমান ধুনীয়া

(নপৃষ্ঠাত চাওক)

# মনটো ডাষ্টবিন হ'বলৈ নিদিব

সংযুক্তা দত্ত, দেৰগাওঁ কমল দুৱৰা মহাবিদ্যালয়



আটাইতকৈ বেগি বস্তু মনটোকে কোৱা হয়। কিয়নো আমাৰ মন হঠাৎতে সলনি হ'ব পাৰে। বেয়া লগাটো ভাল লগা আৰু ভাল লগাটো বেয়া লগা। সেইকাৰণে আমাৰ মন বেগি। মনটো এটা ঠাইত স্থিৰ কৰিবৰ বাবে সময় লাগে। যদিহে মনটো ভাল লাগি থাকে তেন্তে প্ৰত্যেকটো কামেই মানুহে ভালকৈ কৰিব পাৰে। আৰু যদিহে বেয়া হৈ থাকে তেন্তে যিকোনো এটা কাম মানুহে ভালকৈ কৰিব নোৱাৰে। সেই কাৰণে সদায় নিজৰ মন ভালে ৰাখিব লাগে। মানুহৰ মনটো আটাইতকৈ পবিত্ৰ বুলি কোৱা হয়। সেইকাৰণেইটো কয় - মন্দিৰত নহয় নিজৰ অন্তৰত বিচাৰিলেই ভগৱানক পাবা। কিন্তু এই মনটো কেতিয়াও ডাষ্টবিন হ'বলৈ নিদিব। যাৰ যি মন যায় পেলাই থৈ যাব আৰু আপুনি গ্ৰহণ কৰি যাব। এনেকুৱা হ'লে সদায় আপোনাৰ মন বেয়া থাকিব। আৰু নিজেও নিজৰ মনটো ডাষ্টবিন কৰি নুতুলিব। সেয়া নিজৰ কথা বেয়াকে ভাবিয়ে হওঁক বা আনৰ কথা ভাবি। এজন ব্যক্তিক এবাৰ লগ পায় বা তেওঁ চিন্তাধাৰা নজনাকৈয়ে কেতিয়াও তেঁওৰ বিষয়ে বেয়াকৈ নাভাবিব। যদিহে এবাৰ ভাবি লয় বেয়া বুলি তেতিয়া কিন্তু ভাল হ'লেও আপোনাৰ মনত তেওঁ সদায় বেয়া বুলিয়ে থাকি যাব। আমি কোৱা শুনো যে - শিশু সকলৰ গাত ভগৱান থাকে। কাৰণ শিশু সকলৰ মন পবিত্ৰ। সেইকাৰণেই ভগৱান থাকে। আমি আমাৰ মনটো ডাষ্টবিন কৰা কেতিয়াও উচিত নহয়। আমি আমাৰ মন ভালে ৰাখিলে সকলো সম্ভৱ।

# কান্দা পাৰা ডাইমণ্ড ষ্টুডেণ্টন ক্লাব

পৰিষদ সদস্য ছাইফুল ইছলাম আমচুৰ সাধাৰণ সম্পাদক নজৰুল ইছলাম চানখোলা গাওঁ পঞ্চায়তৰ আঞ্চলিক সদস্য ছাদ্দাম হুছেইন কচুৱা গাওঁ পঞ্চায়ত আঞ্চলিক সদস্য মোক্তাৰ হুছেইন কচুৱা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মুন্না পাছানী কান্দা পাৰা আৰু ৰাঙলু বস্তি কিছামৰ গাওবুঢ়া খাইৰুল ইছলাম কচুৱা তিনিআলি পৰিবহণ শ্ৰমিক সন্থাৰ সভাপতি ছাইদুৰ ৰহমানৰ লগতে এই অঞ্চলৰ বহুতো গণ্য মান্য ব্যক্তি উপস্থিত থাকে। নিৰ্ধাৰিত সময় ড্ৰ হোৱাত ট্ৰাইবেকাৰ প্ৰদ্বিতীৰে চূড়ান্ত খেলখন সমাপ্ত কৰা হয়। এই ভিতৰোৱা অঞ্চলটোত অনুষ্ঠিত হোৱা চূড়ান্ত ফুটবল খেলৰ লগতে সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰিবলৈ অসংখ্য লোকৰ সমাগম হয়। বিজয় পুৰ এফ চি ফুটবল দল বিজয়ী হয়। খেল খেলনৰ প্ৰথম পুৰস্কাৰ ট্ৰফি লগতে ৭০০০ টকা কেছমানি। দ্বিতীয় পুৰস্কাৰ ট্ৰফি লগতে ৩০০০টকা কেচমানি। খেল পৰিচালক খাইৰুল ইছলাম, অহিদুৰ জামান, গনেশৰাম দাস, আৰু আজিজুল হক।

# মৰিগাঁৱৰ অমৰাগুৰি গাওঁ পঞ্চায়তৰ জি আৰ এছৰ বিৰুদ্ধে অভিযোগ

ৰঙিলী বাৰ্ত্তাসেৱা-যি সময়ত ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই দুৰ্নীতিকাৰীক কোনো পধ্যেই আশ্ৰয় নিদিয়ে বুলি অসমবাসীৰ আগত শূণ্য সহনশীল নীতিৰে দুৰ্নীতিৰ বিৰুদ্ধে কঠোৰ নিৰ্দেশনা জাৰি কৰিছে। তেনে সময়তে মুখ্যমন্ত্ৰীৰ দুৰ্নীতিবিৰোধী কঠোৰ আদেশকো কেৰেপ নকৰি একাংহ দুৰ্নীতিগ্ৰস্ত বিষয়াই চলাই গৈছে ভয়ংকৰ দুৰ্নীতি। তথ্য অনুসৰি মৰিগাঁও জিলাৰ লাহৰিঘাট উন্নয়ন খণ্ডৰ অন্তৰ্গত অমৰাগুৰি গাওঁ পঞ্চায়তৰ জি আৰ এছ তথা দুৰ্নীতিৰ সদাগৰ খ্যাত হাছমত আলীৰ লগতে এগৰাকী ৱাৰ্ড সদস্য এমদাদুল ইছলামৰ ওপৰত উত্থাপিত হৈছে চৰকাৰী আবাস গৃহৰ নামত হিতাধিকাৰীৰ পৰা ধন লোৱাৰ উপৰিও বৃহৎ কেলেংকাৰীৰ অভিযোগ। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি অমৰাগুৰি পঞ্চায়তটোত প্ৰধানমন্ত্ৰী আৱাসগৃহৰ নামত দুই হেজাৰৰ পৰা আঠ হেজাৰ লৈকে ধন সংগ্ৰহ কৰিছে জি আৰ এছ হাছমত আলী আৰু ৱাৰ্ড সদস্য এমদাদুল ইছলামে। চৰকাৰে দুখীয়া দৰিদ্ৰৰ বাবে আবন্টন দিয়া চৰকাৰী আবাসগৃহৰ নামত কাৰ ছত্ৰছাঁয়াত ধন সংগ্ৰহ কৰিছে সেয়া এক প্ৰশ্নৰ বিষয় হৈ পৰিছে। গাঁও পঞ্চায়তটোৰ এনে দুৰ্নীতিগ্ৰস্ত কৰ্মচাৰীৰ বিৰুদ্ধে অসমৰ মুখ্যমন্ত্ৰী আৰু বিভাগীয় কৰ্তৃপক্ষই কি ব্যৱস্থা গ্ৰহণ কৰিব সেয়া সময়ত হব লক্ষ্যণীয়।



# আমি আৰু আমাৰ চৌপাশৰ গণিত

বন্দিতা শৰ্মা কন্দলি, বিজ্ঞান শিক্ষয়িত্ৰী
চৰকাৰী অভ্যসন উচ্চ বুনিয়াদী বিদ্যালয়, তিতাবৰ




দৈনন্দিনৰ জীৱন যাত্ৰা বিজ্ঞান অবিহনে পঙ্গু। গণিত অবিহনে বিজ্ঞানে বিকাশৰ পথ নেদেখে। দাৰ্শনিক ৰ'জাৰ্ট বেকনৰ মতে " বিজ্ঞানৰ আটাইবোৰ শাখাৰ দুৱাৰ মুকলি কৰে গণিতে" সেয়ে গণিতক "বিজ্ঞানৰ ৰাণী" বুলি কোৱা হয়। মানৱ সভ্যতাৰ অগ্ৰগতিত যি যুক্তি সংগত আৰু সু সংহত চিন্তা ধাৰা সেই পদ্ধতিগত চিন্তা ধাৰাৰ মাজতেই সোমাই আছে গণিত মানসিকতা। গণিত মানসিকতাই সামাজিক শৃংখলা, বিশ্ব-ব্ৰহ্মাণ্ডৰ সত্যৰ উদঘাটনৰ বাবে পদ্ধতি, যুক্তিগত চিন্তা আৰু কৰ্মকুশলতাক বুজায়।

মানৱ সভ্যতাৰ ক্ৰমবিকাশৰ লগে লগেই সংগোপনে গাণিতিক ধাৰণা মানুহৰ মনত সঞ্চাৰিত হৈছিল। বিশেষকৈ আৰ্হি বা আকৃতিৰ ধাৰণা, গণনাৰ সুবিধাৰ বাবে সংখ্যাৰ ধাৰণা আৰু জোখ মাখৰ ধাৰণা। মানুহৰ দৃষ্টিভংগীত অভূতপূৰ্ব প্ৰভাৱ পৰিল। মানুহে প্ৰকৃতিক নিৰীক্ষণ কৰিবলৈ ধৰিলে। বুজি উঠিল প্ৰকৃতিয়ে গণিতৰ মাধ্যমেৰে সৃষ্টিৰ পাতনি মেলিছে। পৃথিৱীৰ আৱৰ্তন আৰু পৰিভ্ৰমণ, সূৰ্যৰ উত্তৰায়ন আৰু দক্ষিণায়ন, উদয়- অস্ত, গ্ৰহ বোৰৰ গতিপথ, গতিবেগ আদি সকলোৰে এক বিশেষ বিশেষ গাণিতিক নিয়মৰ মাজত আৱদ্ধ। আৰু মানুহ হৈ পৰিল প্ৰকৃতিৰ নিজস্ব বিদ্যালয়ৰ একোজন নিষ্ঠাবান ছাত্ৰ। পশু -পক্ষী, কীট পতংগৰ জীৱন ধাৰণ প্ৰণালী লক্ষ্য কৰিয়েই মানুহৰ মনত গাণিতিক ধাৰণাৰ উদ্ৰেক হৈছিল। পৰুৱাই সৰু সৰু দুটা গোটৰ মাজত ডাঙৰ সৰু নিৰ্ণয় কৰিব পাৰিছিল। মকৰাৰ জালখন সদৃশ সুষম বহুভুজেৰে গঠিত। মকৰাৰ জালখনৰ গণিত বিচাৰ কৰিলে দেখা পাওঁ মকৰাই প্ৰথমে এটা সৰল চতুষ্কোণৰে জাল গোঁঠা আৰম্ভ কৰে। তাৰ পাছত দুডাল কৰ্ণৰে চতুষ্কোণতোক চাৰিটা ত্ৰিকোণত ভাগ কৰি লয়। কৰ্ণদুডালে কটা-কটি কৰা বিন্দুৰ পৰাই মকৰাৰ জাল গোঁঠা আৰম্ভ হয় আৰু গোটেই চতুষ্কোণটো আগুৰি লয়। সেইদৰে মৌচাক খনৰ কোষবোৰ ষড়ভুজ আকৃতিৰ। চৰাইৰ বাহ সজা ক্ষেত্ৰত সমমিতি জ্ঞান ব্যাপ্ত। তাৰোপৰি চৰায়ে বক্ৰৰেখাৰ অৰ্থাৎ বক্ৰ পথত কৈ সৰল ৰৈখিক গতিত কম দূৰত্ব অতিক্ৰম কৰিব লগাটো ধাৰণা কৰিব পাৰিছিল। পশু-পক্ষীৰ ক্ষেত্ৰত মন কৰিবলগীয়া কথাটো হ'ল ইহঁতৰ নথকা এটা অতিৰিক্ত গুণ "কলা-মানসিকতা" মানুহৰ আছে। সেয়ে পশু -পক্ষী, কীট পতংগৰ পৰা গাণিতিক ধাৰণাৰ উদ্ৰেক হোৱা মানুহে চিন্তা শক্তি, নতুন সৃষ্টিৰ আনন্দ আৰু সৌন্দৰ্য বোধৰ জৰিয়তে সভ্যতাৰ শিখৰত উপনীত হ'ব পাৰিছে।

আমি সুক্ষ্ম ভাবে চিন্তা কৰি চালে দেখিম যে প্ৰতিটো শিশুৰেই মাতৃভাষা ক'বলৈ আৰম্ভ কৰাৰ লগে লগে স্বতঃস্ফূৰ্ত ভাবে গণিতৰ ব্যৱহাৰ কৰিবলৈ শিকে। উদাহৰণ স্বৰূপে নেওতাৰ জ্ঞান আহৰণ নকৰাকৈ এজন শিশুক বিস্কুট এটা দিলে তেওঁ আৰু এটা বা "দুটা লাগিব" আদি ক'বলৈ শিকে। শিশুৱে ভাল পোৱা বস্তু এটা পালে আন কোনোৰে যদি সেই বস্তুটো বিচাৰে তেতিয়া শিশুটোৱে লুকুৱাই ৰাখি খালী হাত দেখুৱাই দিয়ে। ইয়াৰ পৰা অজানিতে বিয়োগৰ ধাৰণা আহি পৰিছে।

গতিকে দেখা যায় গণিত শিক্ষা এক সুকীয়া শিক্ষা বুলি ভাবি থকাৰ কোনো অৱকাশ নাই। গণিতৰ ইতিহাসত চকু ফুৰালে দেখা যায় যে গণিত শিক্ষাৰ মুখ্য আকৰ্ষণ হৈছে ইয়াৰ

(আঠপৃষ্ঠাত চাওক)

# দেশে পাহৰি গ'ল নেকি ভাৰতৰ স্বতন্ত্ৰতা সেনানী মৌলানা আবুল কালাম আজাদ

ইকবাল হুছেইন



আজি স্বাধীন ভাৰতৰ প্ৰথম শিক্ষামন্ত্ৰী মৌলানা আবুল কালাম আজাদৰ উপজা দিন। স্বতন্ত্ৰতা সেনানী, স্বাধীন ভাৰতৰ প্ৰথম শিক্ষামন্ত্ৰী তথা সাম্প্ৰদায়িক সম্প্ৰীতিৰ প্ৰতিক মৌলানা আবুল কালাম আজাদৰ জন্ম হৈছিল ১১ নৱেম্বৰ ১৮৮৮ চনত আৰু মৃত্যু হৈছিল ২২ ফেব্ৰুৱাৰী ১৯৫৮ চনত। তেখেতৰ জন্মবাৰ্ষিকী ভাৰতবৰ্ষত শিক্ষা দিৱস হিচাপে পালন কৰা হয়। মৌলানা আবুল কালাম আজাদ একেধাৰে এগৰাকী পণ্ডিত, কবি, সাহিত্যিক, সাংবাদিক, যুক্তিযুদ্ধা তথা কৰ্মপটু সুবক্তা আছিল। ভাৰতৰ ব্ৰিটিছ বিৰোধী স্বাধীনতা আন্দোলনৰ সময়ত ভাৰতীয় জাতীয় কংগ্ৰেছৰ নেতৃত্ব চম্ভালিছিল, আৰু তেওঁ আছিল স্বাধীন ভাৰতৰ প্ৰথম শিক্ষামন্ত্ৰী। তেওঁ মৌলানা আবুল কালাম আজাদ নামেৰেই বহুল পৰিচিত। ভাৰতৰ স্বাধীনতা সংগ্ৰামত তেওঁৰ ভূমিকা আছিল অনন্য। তেওঁক কলকাতাৰ পৰা ১৯১৬ চনত ৰাঁচীলৈ নিৰ্বাসি কৰা হৈছিল। তেওঁ অৰ্থাৎ মৌলানা আবুল কালাম আজাদে কেতিয়াও বিচৰা নাছিল যে, হিন্দু-মুছলমানৰ মাজত বিভেদ সৃষ্টি হওঁক বা দুৰত্ব বৃদ্ধি পাওঁক। তেওঁ আছিল দ্বিখণ্ডিত ভাৰতৰ ঘোৰ বিৰোধী। স্বাধীন ভাৰতৰ প্ৰথম শিক্ষামন্ত্ৰী হৈ তেওঁ ভাৰতবৰ্ষত বিনামূলীয়া প্ৰাথমিক শিক্ষা আৰু উচ্চশিক্ষাৰ বাবে আধুনিক শিক্ষা প্ৰতিষ্ঠান চালু কৰিছিল। তেওঁ ইণ্ডিয়ান ইনষ্টিটিউট অফ টেকনোলজি তথা বিশ্ববিদ্যালয় মঞ্জুৰী কমিচন স্থাপন কৰিছিল। ১৯৯২ চনত তেওঁক ভাৰতৰ সৰ্বোচ্চ সন্মান ভাৰত ৰত্ন (মৰনোত্তৰ) সন্মানেৰে সন্মানিত কৰা হয়। আজি সেইজন মহান নেতা পাহৰণিৰ গৰ্ভত। যিজন ক্ৰান্তিবীৰে ওৰেটো জীৱন দেশমাতৃৰ সেৱা কৰি যোৱাৰ লগতে হিন্দু-মুছলমানৰ মাজত সমন্বয়-সম্প্ৰীতি প্ৰতিষ্ঠাৰ বাবে আহোপুৰুষাৰ্থ কৰিছিল আজি সেইজন স্বপ্নচাৰী ব্যক্তিক পাহৰণিৰ গৰ্ভত। অনৈক্যৰ মাজত ঐক্য থকা ৰাম-ৰহিমৰ বাৰেৰহণীয়া ফুলনি বাগিচা সুদৃশ্য এইখন অসাম্প্ৰদায়িক ভাৰতবৰ্ষৰ হিন্দু-মুছলমানৰ মাজত সেঁতু নিৰ্মাণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা মৌলানা আবুল কালাম আজাদৰ আদৰ্শ আৰু কৰ্মৰাজি দেশবাসীৰ বাবে সদায়ে প্ৰেৰণাৰ উৎস হৈ ৰব। তেওঁ আৰু তেওঁৰ সতীৰ্থই দেখোৱাই যোৱা বাট অৱলম্বন কৰিলে বিভিন্ন জাতি, জনগোষ্ঠী আৰু ধৰ্মাৱলম্বী লোকৰ মিলনভূমিত কদাপি অবিশ্বাস, হিংসা, ঘৃণা তথা অসহিষুঃতাৰ বাতাবৰণে গা কৰি উঠিব নোৱাৰে। কিন্তু পৰিতাপৰ বিষয়টো হৈছে;

(নপৃষ্ঠাত চাওক)

# সুধাকণ্ঠ

প্ৰস্তুতি শৰ্মা ,গোলাঘাট বাণিজ্য মহাবিদ্যালয়



এটা জীৱন্ত নাম
সুধাকণ্ঠ
যাৰ সুৰৰ লহৰে লহৰে
গীতৰ ভাঁজে ভাঁজে
প্ৰবাহমান
অসীম সাহস আৰু স্বদেশ প্ৰেমৰ ভাষা
সুধাকণ্ঠ
তুমি বৈ আছা
বতাহৰ দৰে
নদীৰ দৰে
হৃদয়ে হৃদয়ে
প্ৰাণে প্ৰাণে
আমাৰ উশাহে বতাহে।

অণু-গল্প

# নুমলী জী

সংগীতা মাইনা ডেকা, ৰঙিয়া



“ক্ষন্তেকীয়া জীৱন ! “Plan” কৰিবলৈয়ো আয়ুসেই বা কিমান আছে নাজানো। তাতে আকৌ লক্ষ্যহীনো মই। “Job” কৰাৰ ইচ্ছা অৱশ্যে নথকা নহয় ! কিন্তু ছোৱালী জীৱন... !”

নিঃশ্চুপ হৈ থাকিল পলবোৰ। থমকি ৰ'ল “সিদ্ধাৰ্থ”। তাৰ পিছত প্ৰতিটো মেছেজেই “seen” হৈ থাকিল। কিন্তু পিছে উত্তৰ এটাৰো নাহিল আৰু “জলনিধিজা”.... !


লাচিত বৰফুকন ৪০০ তম জন্মজয়ন্তী
সত্যমেব জয়তে
অসম সরকার
JANASANYOG- 2971/22
জনতাৰ চৰকাৰ
my GOV मेरी सरकार
লাচিত বরফুকনের
৪০০তম জন্মজয়ন্তী উদযাপন
ওয়েব পোর্টাল
https://lachitbarphukan.assam.gov.in/
এবং মোবাইল অ্যাপ
Lachit Barphukan
লাচিত বরফুকন
মাত্র একটি নাম কিংবা নয় একটি কথা
দুর্জয় সাহস-বীরত্বের অতুলনীয় গাঁথা
বীরযোদ্ধা লাচিত বরফুকনের
প্রতি শ্রদ্ধাঞ্জলি জ্ঞাপনের বিনম্র প্রয়াস
লাচিত বরফুকন বিষয়ক রচনা লেখা কার্যসূচি
অসমের ইতিহাসের প্রবাদপ্রতিম বীরকে নিয়ে রচনা লিখে তাঁর প্রতি সকল নাগরিকের শ্রদ্ধাঞ্জলি জ্ঞাপনের এক অনন্য সুযোগ
শিক্ষার্থী এবং অন্যান্য ক্ষেত্রের নাগরিকরা যেমন— বিভিন্ন কর্মক্ষেত্রের ব্যক্তি, চাকরিজীবী, গৃহিণী ইত্যাদি সর্বস্তরের জনগণের জন্য এই কার্যসূচি
রাজ্য, দেশ এবং বিদেশের সকল অংশগ্রহণকারীর জন্য এই কার্যসূচি
যে কোনও ভাষায় লাচিত বরফুকনের বিষয়ে রচনা লেখার সুবিধা
রচনা লেখার মাধ্যমসমূহ— সরকারিভাবে সরবরাহ করা মুদ্রিত কাগজ, সাদা কাগজ এবং ওয়েব পোর্টাল অনলাইন মাধ্যমে
লাচিত বরফুকনের প্রতি শ্রদ্ধাঞ্জলি জানিয়ে লেখা এই ধরনের রচনা— পোর্টাল এবং অ্যাপযোগে সংরক্ষণের সুবিধা
ওয়েব পোর্টাল এবং মোবাইল অ্যাপ
ওয়েব পোর্টাল (https://lachitbarphukan.assam.gov.in/) এবং অ্যাপ (Lachit Barphukan)-র মাধ্যমে মাত্র একবার পঞ্জীয়ন করেই যে কোনও ব্যক্তি নিজের অথবা সম্পর্কিত ব্যক্তির লেখা আপলোড করতে পারবেন
অংশগ্রহণকারীদের জন্য এই অ্যাপ এবং ওয়েব পোর্টাল স্বয়ংক্রিয়ভাবে ডিজিটাল প্রমাণপত্র সৃষ্টি করবে যা ডাউনলোড করা যাবে
দেশের বাইরের অংশগ্রহণকারীরা ই-মেল ওটিপি-র মাধ্যমে নিজের পঞ্জীয়ন সম্পূর্ণ করতে পারবেন
রচনা লিখতে সরকারিভাবে তৈরি করা (ক) মুদ্রিত কাগজ (খ) অংশগ্রহণকারীর নিজস্ব কাগজ (গ) ওয়েবসাইট অনলাইন পদ্ধতিতে এই সুবিধা গ্রহণ করতে পারবেন
প্লে স্টোর থেকে অথবা ওয়েবসাইট থেকে অ্যাপ ডাউনলোড করে ওটিপি-র সহযোগিতায় নিজের মোবাইলে ইনস্টল করতে পারবেন। অ্যাপে থাকা Upload Writing-র সহায়তায় রচনা আপলোড করার সুবিধা থাকবে
Powered by
AMTRON
Assam Electronics Development Corporation Ltd.
তথ্য এবং জনসংযোগ সঞ্চালকালয়, অসম দ্বারা প্রচারিত
Follow us @diprassam dipr.assam.gov.in

# আধ্যাত্মিক অস্তিত্বৰ পৰিচয়

ব্ৰহ্মাকুমাৰ আকাশ সাহা,
সৰভোগ

যোৰাখণ্ডৰ পৰা

অন্য দেশৰ মানুহেও ভাৰতৰ আধ্যাত্মিকতাৰ প্ৰতি আকৰ্ষিত হয়। আনকি ভাৰতৰ বহুতো মহান আত্মা যেনে স্বামী বিবেকানন্দ, স্বামী ৰামতীৰ্থ আদিয়ে ভাৰতৰ আধ্যাত্মিকতাৰ বাৰ্তা দিবলৈ বিদেশলৈ গৈ ভাৰতৰ আধ্যাত্মিকতাৰ নাম আলোকিত কৰিছিল, যদিও তেওঁলোকৰ আত্মাৰ অস্তিত্বৰ সঠিক জ্ঞান নাছিল, কিন্তু তথাপিও আত্মাৰ অস্তিত্বৰ ওপৰত পূৰ্ণ বিশ্বাস আৰু অনুভূতি আছিল, যাৰ ফলত তেওঁলোকে বিদেশত গৈ ভাৰতৰ আধ্যাত্মিকতা গ্ৰহণ কৰাবলৈ সক্ষম হৈছিল।

এনে এখন ভূমিত আমি জন্ম লৈছো য'ত আধ্যাত্মিকতাৰ ৰহস্যৰ বিষয়ে ভগৱানে আমাক সচেতন কৰি তোলে, এয়া আমাৰ মহান সৌভাগ্যৰ কথা। ভাৰতৰ এই ভূমি সেই ঋষি ভূমি, য'ত অসংখ্য ঋষিসকলে তপস্যা কৰি নিজৰ তপস্যাৰ প্ৰকম্পন সমস্ত জগতত বিয়পাইছিল, যি জগতৰ সকলো মনুষ্যৰ জীৱনৰ আধাৰ হৈ পৰিছে। তেওঁলোকৰ সেই প্ৰকম্পনবোৰ আজিও অনুভৱ কৰা যায় । ভাৰতৰ পৰাই বিদেশত আধ্যাত্মিক বিশ্বাসৰ প্ৰচাৰ হৈছিল। বিদেশত ভাৰতৰ আধ্যাত্মিকতাৰ প্ৰচাৰত স্বামী বিবেকানন্দই আমেৰিকাত প্ৰথম ভাষণত জনসাধাৰণক ভাই-ভনী হিচাপে সম্বোধন কৰিছিল। সেয়াই ভাৰতৰ আধ্যাত্মিক সমৃদ্ধিৰ প্ৰভাৱ, আধ্যাত্মিক মনোভাৱৰ প্ৰভাৱ, আধ্যাত্মিক শক্তিৰ প্ৰভাৱ, যিটো আমেৰিকাৰ জনসাধাৰণেও তেওঁলোকৰ নিজৰ মাজতেই ভাই-ভনীৰ দৃষ্টি জাগ্ৰত হৈছিল আৰু সকলৰে প্ৰতি থকা প্ৰেমৰ অনুভূতি জাগ্ৰত হৈছিল। আমি যদি কোনো ধৰ্মীয় শাস্ত্ৰলৈ চাওঁ বা কোনো ধৰ্মপিতাই আত্মা, পৰমাত্মা, সৃষ্টি চক্ৰ, ত্ৰিলোক আদিৰ বিষয়ে কোনো স্পষ্ট জ্ঞান দিয়া নাই। প্ৰায় সকলো ধৰ্মপিতাই ভাল গুণ আৰু বিশ্বাসৰ জ্ঞান দিছে। প্ৰতিজন ধৰ্মপিতাৰ মাজত আধ্যাত্মিক গুণ প্ৰধান আছিল। পৰমপিতা পৰমাত্মাই হৈছে সকলো আধ্যাত্মিক গুণ আৰু শক্তিৰ সাগৰ। গীতাক আধ্যাত্মিকতাৰ মূল শাস্ত্ৰ বুলি গণ্য কৰা হয়, যিটো পৃথিৱীৰ প্ৰায় সকলো ভাষালৈ অনুবাদ কৰা হৈছে। গীতাৰ প্ৰকৃত জ্ঞান কল্পৰ অন্তত ব্ৰহ্মাৰ মুখৰ দ্বাৰা জ্ঞানৰ সাগৰ পৰমপিতা পৰমাত্মাই বৰ্ণনা কৰিছিল, কিন্তু সেই সময়ত দিয়া জ্ঞান সাধাৰণতে যুগ পৰিবৰ্তনৰ পিছত নাইকিয়া হৈ গৈছিল। দ্বাপৰ যুগত মানুহে যেতিয়া অশান্তিৰ অনুভৱ কৰিবলৈ আৰম্ভ কৰে, তেতিয়া ভক্তি আদি আৰম্ভ হয়, তেতিয়া কল্পৰ অন্তত শুনা জ্ঞানৰ ভিত্তিত সেই মহান ঋষি-মুনি সকলোৰ মনত কিছুমান স্মৃতিৰ উদ্ভৱ হয় আৰু তাৰ আধাৰত বৰ্তমানৰ গীতা ৰচনা কৰা হৈছিল। কল্পৰ অন্তত ভগৱানে বৰ্ণনা কৰা আধ্যাত্মিক জ্ঞানৰ যোগেদি বিশেষকৈ ভাৰত আৰু সমগ্ৰ বিশ্বই স্বৰ্গ আছিল, সেই জ্ঞান এই জনপ্ৰিয় গীতাত মাত্ৰ আংশিকভাৱে বৰ্ণনা কৰা হৈছে। এই সৃষ্টিৰ ওপৰত সত্য ধৰ্ম প্ৰতিষ্ঠা কৰিবলৈ ঈশ্বৰে কেৱল ভাৰততহে অৱতাৰ গ্ৰহণ কৰে আৰু এই সত্য প্ৰমাণিত কৰে। গীতা, ৰামায়ণ, মহাভাৰতৰ বহু ঠাইত এই বিশ্ব-নাটকৰ পুনৰাবৃত্তিৰ তত্ত্বও নিশ্চিত হৈছে। শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে যে মই এই জ্ঞান তোমাক আগতেও দিছিলো আৰু আজি পুনৰ দি আছোঁ। আধ্যাত্মিক জ্ঞান অৰ্থাৎ আত্মা, পৰমাত্মা আৰু এই সংসাৰ নাটকৰ সত্য জ্ঞান এতিয়া পৰমাত্মাই প্ৰদান কৰি আছে। আধ্যাত্মিকতাৰ এই সত্য কথাবোৰৰ বিষয়ে আন কোনো ধৰ্মপিতা বা আন কোনো ধৰ্মীয় শাস্ত্ৰই বৰ্ণনা কৰা নাই আৰু কেনেকৈ কৰিব পাৰে! কাৰণ ঈশ্বৰেই জ্ঞানৰ সাগৰ আৰু তেৱেঁই এই জগতৰ বীজৰূপ, কেৱল যেতিয়া তেওঁ এই জগতলৈ আহে, তেতিয়াহে তেওঁ প্ৰকৃত আধ্যাত্মিক জ্ঞান প্ৰদান কৰি আদি সনাতন দেৱী-দেৱতা ধৰ্ম প্ৰতিষ্ঠা কৰে আৰু এই জ্ঞান কেৱল সেই ধৰ্ম-বংশৰ মনুষ্যকহে দিয়ে। গতিকে এই জ্ঞান সেই মহান আত্মাবোৰৰ মাজত সূক্ষ্ম ৰূপত অন্তৰ্নিহিত হৈ আছিল আৰু সেই সূক্ষ্ম স্মৃতিৰ বাবেই, ভক্তিৰ পথত থকা সেই মহান ঋষি-মুনি সকলোৰ মনত এই জ্ঞান স্মৃতিৰ ভিত্তিত জাগ্ৰত হয়, অৰ্থাৎ ই উদয় হয়।

ভাৰতত আত্মকল্যাণৰ বাবে যোগৰ বিষয়ে বহুতো বৰ্ণনা আছে। তাৰ ভিতৰত মহৰ্ষি পতঞ্জলিৰ - পতঞ্জলি যোগ দৰ্শন, কপিল মুনিৰ - সাংখ্য দৰ্শন, বিবেকানন্দৰ - কৰ্মযোগ, জ্ঞান যোগ, তত্ব দৰ্শন আদি বহুতো যোগৰ শাস্ত্ৰ আছে। সমগ্ৰ বিশ্বই ভাৰতৰ প্ৰাচীন যোগৰ বিশেষ গৌৰৱ কৰে আৰু তাক শিকিবলৈ, জানিবলৈ সদিচ্ছা প্ৰকাশ কৰে, ভাৰতৰ প্ৰাচীন ৰাজযোগ শিকিবলৈ বহিঃৰাজ্যৰ পৰা মানুহ ভাৰতলৈ আহে। যদিও তেওঁলোকে প্ৰকৃত সত্য নাজানে আৰু ভাৰতৰ জনসাধাৰণো প্ৰকৃত সত্যৰ বিষয়ে অজ্ঞাত। ঈশ্বৰেহে যোগৰ সঠিক জ্ঞান দিয়ে আৰু সত্য ৰাজযোগৰ শিক্ষা দি আত্মাক শুদ্ধ কৰি আদি সনাতন দেৱী-দেৱতা ধৰ্ম প্ৰতিষ্ঠা কৰে। যোগৰ এই জ্ঞান ভাৰতৰ পৰা সকলো দেশলৈ যায় আৰু সকলো মনুষ্য আত্মাই নিজৰ সময় আৰু অৱস্থা অনুযায়ী এই জ্ঞান লাভ কৰে।

ভক্তি দৰ্শনৰ বহুতো শাস্ত্ৰ আছে। য'ত ভক্তি পথৰ বহুতো ৰীতি-নীতি বৰ্ণনা কৰা হৈছে। যাৰ বিষয়ে ঈশ্বৰে কৈছে যে তেওঁলোকৰ মাজত কোনো আধ্যাত্মিক জ্ঞান নাই, কিন্তু মনুষ্যই ইয়াক আধ্যাত্মিকতা বুলি গণ্য কৰে আৰু সেইবোৰত অন্ধভাৱে বিশ্বাস কৰে, তেওঁলোকৰ জীৱনত মুক্তিৰ আশা ৰাখে ।

এনেদৰে আমি দেখিবলৈ পাওঁ যে ভাৰতত যেনেকৈ বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিৰ বীজ অংকুৰিত হয়, ঠিক তেনেদৰে ভাৰততে আধ্যাত্মিকতাৰ বীজ গজি উঠে, যি গছ হৈ সমগ্ৰ বিশ্বক ছাঁ আৰু ফল প্ৰদান কৰে। সেই জ্ঞান সূৰ্য্যৰ পোহৰৰ দৰে সমগ্ৰ বিশ্বক আলোকিত কৰে। মূলতঃ প্ৰকৃত আধ্যাত্মিক জ্ঞান, আত্মাৰ জ্ঞান, সৃষ্টি চক্ৰৰ আদি, মধ্য আৰু অন্তৰজ্ঞান; পৰমপিতা পৰমাত্মাই অৱতৰিত হৈ প্ৰকাশ কৰি আছে।

গতিকে, পৰমপিতা পৰমাত্মাই সৃষ্টিৰ মহাপৰিবৰ্তনৰ সময়ত, অৰ্থাৎ কলিযুগৰ অন্ত আৰু সত্যযুগৰ আৰম্ভনিত অৰ্থাৎ বৰ্তমান সংগম যুগত অৱতৰণ কৰে, শৰীৰৰ সকলো ধৰ্মৰ পৰা অৰ্থাৎ দুখ-কষ্ট, অশান্তিৰ যি কাৰণ সেইবোৰৰ পৰিচয়ৰ পৰা আঁতৰাই আনে, আৰু আধ্যাত্মিক জ্ঞানৰ জৰিয়তে সত্যৰ সৈতে পৰিচয় কৰাই আত্মাৰ আদি গুণলৈ ঘূৰাই আনে। পৰমপিতা পৰমাত্মাই প্ৰজাপিতা ব্ৰহ্মাকুমাৰী ঈশ্বৰীয়া বিশ্ব বিদ্যালয়ৰ জড়িয়তে আধ্যাত্মিক জ্ঞান প্ৰদান কৰি সকলোৰে মাজত দিব্যগুণ ৰোপণ কৰি বসুধৈৱ কুটুম্বকমৰ ভাৱেৰে শান্তিপূৰ্ণ সহাৱস্থান প্ৰতিষ্ঠা কৰি আছে । আধ্যাত্মিক জ্ঞানৰ যোগেদি ধৰ্মীয় বৈষম্য, সংঘাত ইত্যাদি পৰিহাৰ কৰি প্ৰেম, একতা আদিৰ গুণ বিকশিত কৰি, পৰমপিতা পৰমাত্মায়ে প্ৰদান কৰা আধ্যাত্মিক জ্ঞানৰ প্ৰকাশেৰে সত্য ধৰ্ম স্থাপন কৰি, আমি আমাৰ এই মানৱ জীৱন অতি আনন্দময়ৰে পৰমাত্মাৰ সান্নিধ্যত অতিবাহিত কৰোঁ আহক।

# আমি আৰু আমাৰ চৌপাশৰ গণিত

কাৰ্যকৰী উপকাৰিতা। গণিতৰ জ্ঞান ছাত্ৰ ছাত্ৰীৰ যিমানেই স্পষ্ট আৰু নিৰ্দিষ্ট হয়, চিন্তা শক্তিও স্বাভাৱিকতে সিমানেই গভীৰ হয়। প্ৰাথমিক পৰ্যায়ত গণিত শিক্ষাৰ এটা প্ৰধান উদ্দেশ্য হ'ল শিশুৱে ঘৰত, বিদ্যালয়ত আৰু সামাজিক জীৱনত সন্মুখীন হোৱা সাংখ্যিক আৰু বিশেষ সমস্যাৱলী কিছুমান শুদ্ধ আৰু দ্ৰুত গতিত সমাধান কৰাত সমৰ্থবান কৰি তোলা।

গণিতৰ মেজিক, কৌতুক বা কাব্যিকতাই গণিতক ৰসাল আৰু সৌন্দৰ্যতা প্ৰদান কৰে। যেনে -
ফুৰি ফুৰি গৈ পালোঁ এখন দলং।
এপাহ ফুল পানীত পেলাই এজনে দিলে পতং।
ফুলপাহ ১ মিনিতত ৪০ ছে:মি: গ'ল। ৫ মিনিটত কিমান দূৰ?

ছাত্ৰ ছাত্ৰীৰ উপস্থিত বুদ্ধি বিকাশৰ মৌখিক - এজোপা গছত দুই ডজন চৰাই পৰি আছিল। এজন চিকাৰীয়ে তাৰে দুটা চৰাই গুলীয়াই হত্যা কৰিলে । গছৰ ডালত কেইটা চৰাই পৰি ৰ'ল ।

স্মৰণ শক্তি বৃদ্ধি কৰা গণিত -
১) ৪০ৰ লগত কিমান যোগ কৰিলে ৭০ হ'ব?
২) ৩২ কোন সংখ্যাৰ আধা ? আদি

গণিতৰ ব্যৱসায়ৰ -গ্ৰহাদি গণনা, বিয়া বাৰু ৰ কাল নিৰূপন, মানুহৰ সুখ -দুখৰ গণনা কৰা কাৰ্য আদি এই শ্ৰেণীৰ অন্তৰ্গত।

মুঠৰ ওপৰত গণিত বিষয়টো ছাত্ৰ ছাত্ৰীৰ প্ৰিয় বিষয় হ'ব পাৰে যদিহে গণিতক ভাল পাবলৈ শিকে! যিহেতু গণিত আমি মুখস্থ গাব নালাগে, গণিতত বানান ভুল হোৱাৰ আশংকা নাথাকে। গণিত শিক্ষণৰ দ্বাৰা শিশুক বস্তুনিষ্ঠতা, যৌক্তিক দৃষ্টিভংগী যুক্তি দৰ্শাই কৰা চিন্তনৰ সমৰ্থতা, সত্য বিচাৰ, সৌন্দৰ্য বোধৰ প্ৰতি ৰাপ আৰু চিনাক্তকৰণ আদি গুণেৰে প্ৰভাৱান্বিত কৰাব পাৰি। ই হ'ল মানৱ জীৱনৰ তৃতীয় চক্ষু।

সহায়ক গ্ৰন্থ -
১) গণিতৰ ক্ৰমবিকাশৰ ইতিহাস
ড° বুদ্ধ প্ৰসাদ চেতিয়া।
২) প্ৰৱন্ধ - গণিত আৰু সাহিত্য
ড° দিলীপ শৰ্মা।

# ধৰ্ম আৰু অধৰ্মৰ

কৰ্মৰে যিয়েই নকৰক কিয়, সেই ধৰ্মৰ প্ৰকৃত অৰ্থত সেই ধৰ্মৰ কাম হ'ব আৰু এটা আভ্যন্তৰীণ সুখ আৰু শান্তি অনুভৱ কৰিব। আপুনি মাত্ৰ নিজৰ আত্ম-ধাৰ্মিকতাত প্ৰতিষ্ঠিত হৈ কৰ্মত আহি চাওক, তেতিয়া আপুনি নিজকে চিনি পাব, কোৱাৰ প্ৰয়োজন নাথাকিব। শ্ৰীমদ্ভাগৱততো কোৱা হৈছে যে কোনোৱেই কাৰো শত্ৰু বা বন্ধু নহয়, আত্মা নিজেই ইয়াৰ শত্ৰু আৰু বন্ধু। যেতিয়া আমি আত্মাৰ আত্ম-ধাৰ্মিকতাত প্ৰতিষ্ঠিত হওঁ, তেতিয়া আমাৰ লগত যিয়েই নহওক কিয়, সেয়া সকলো ধৰ্মৰ কাৰ্য্য হ'ব আৰু য'ত ধৰ্ম যুক্ত কৰ্ম হয়, তেতিয়া আত্মা সেই সময়ত নিজৰ বন্ধু। যদি, আত্মাৰ আত্ম-ধাৰ্মিকতাত প্ৰতিষ্ঠিত নোহোৱাকৈ আমি নিজকে কেৱল দেহ বুলি গণ্য কৰোঁ, তেন্তে আমি জানি-বুজি অজানিতে বহুতো অধাৰ্মিক কৰ্ম কৰিছো, তেতিয়া আত্মা নিজেই নিজৰ শত্ৰু। আমাৰ যেতিয়া কাৰোবাৰ ওপৰত খং উঠে, তেতিয়া কোনে প্ৰথমে আঘাত পায়? সন্মুখৰ মানুহজনৰ blood pressure বৃদ্ধি নহয়, অথচ নিজৰহে blood pressure বাঢ়ি যায়, নিজৰ মুখখন ৰঙা হৈ পৰে, নিজৰ শৰীৰত কম্পনৰ সৃষ্টি হয়। খং উঠিলে কাৰ মুখ শুকাই যায়? নিজৰ নহয়! গতিকে খং থকাৰ ফলত নিজৰ আটাইতকৈ বেছি ক্ষতি হয়, কিন্তু যেতিয়া আমি শান্ত হৈ পৰো তেতিয়া সকলো ঠিকেই থাকে। কাৰণ আত্মাৰ আত্ম-ধাৰ্মিকতা শান্তিপূৰ্ণ ৰূপ, আত্মাৰ আত্ম-ধাৰ্মিকতা ক্ৰোধৰ ৰূপ নহয়। ই হৈছে বাহ্যিক ৰূপ, যিটো কোনোবা বা আন বস্তু বা ব্যক্তিৰ প্ৰভাৱত আহি ক্ৰোধৰ ৰূপ হৈ পৰে, শেষত ক্ৰোধৰ পিছত শান্ত হ'বলগীয়া হয়, আত্মাই নিজৰ আত্ম-ধাৰ্মিকতালৈ ঘূৰি আহিব লাগে। যেনেকৈ পানীৰ মানদণ্ড ঠাণ্ডা, জুইত লগালে গৰম হৈ পৰিব আৰু জুইৰ পৰা নমাই দিলে, তেতিয়া কম সময়ৰ ভিতৰতে ঠাণ্ডা হৈ পৰিব, অৰ্থাৎ পানী নিজৰ মূল গুণ শীতলতালৈ ঘূৰি আহে। গতিকে মানসিক বিকৃতিৰ ওপৰলৈ উঠিবলৈ হ'লে আমি আত্মাৰ আত্ম-ধাৰ্মিকতাত স্থিত থকাৰ অভ্যাস কৰিব লাগিব, তেতিয়াহে আমি ধাৰ্মিক হ'ব পাৰিম, নহ'লে ধৰ্ম আৰু ধৰ্মৰ আলোচনা কেৱল কল্পনা হৈয়েই থাকিব।

# বিশ্বাস আৰু সন্দেহ

তেওঁৰ পত্নী, তেওঁ নথকা অৱস্থাত কোনোবা পুৰুষ আহে নেকি? বিনা কাৰণত এই ভাববোৰ আহি থাকিবলৈ ল'লে। গতিকে ভয় খুৱাবলৈ তেওঁ ঘৰলৈ আহিলেই সামান্য কথাতে বাঘৰ মূৰ্তি ধৰি তাইক মাৰপিট কৰে। কেতিয়াবা তেনে অৱস্থাতে তাইক কাৰোবাৰ ঘৰলৈ নিবলৈ তৎক্ষণাত ওলাবলৈ কয়। তায়ো বেচেৰী আকৌ মাৰে বুলি চকু পানী টুকি টুকি যাবলৈ ওলায়।'- কথাবোৰ শুনি মানুহজনৰ মানসিকতাক পঢ়ি চাবলৈ মোৰ বেছি পৰ নালাগিল। দুদিনলৈ আহি দম দি থৈ যায় যাতে মুকলি বতাহ অকণ ল'বলৈও দৰ্জাৰ বাহিৰ হ'ব নোৱাৰে । এওঁলোকৰ ঘৰলৈ আহোঁতেও ফোনতে স্বামীৰ অনুমতি সাপেক্ষেহে আহিছে। কাৰণ তেওঁৰ পুৰণি চিনাকি মানুহ, সন্দেহৰ কাৰণ নাই। মই মনতে ভাবিলোঁ, ইমান যদি সন্দেহেই সংসাৰখন সুন্দৰ কৰিবলৈ পত্নীক লগত ৰাখিলেই হ'ল। ল'ৰা হোষ্টেলত থাকিব। সেইবোৰ কাৰণতে হয়তো মানুহগৰাকীক মাজে মাজে অন্যমনস্ক হোৱা দেখিছিলো। মই তেতিয়া সুধিলোঁ - মানুহজন কেনেকুৱা? 'তেওঁ ভদ্ৰলোক, কিন্তু চালু মানুহ। বাহিৰত অকলে থাকি বেছ স্ফূৰ্তি কৰে।' মই তেওঁক যাতে পত্নীয়ে কোনো প্ৰশ্ন কৰিব নোৱাৰে তাৰেই ব্যৱস্থা। আচৰিতো হ'লোঁ, মই তেওঁক আগতে লগ পাওঁতে দেখিছোঁ অত্যন্ত ভদ্ৰলোক। আমাক ডাঙৰ হিচাপে যথেষ্ট সন্মান কৰে। তবধ মানিলো, তেওঁৰ ভিতৰৰ মানুহজনক জানি। এনেদৰে মুখা পিন্ধি ভদ্ৰতাৰ আচৰণৰ তাৎপৰ্য কি? কথাখিনি শুনাৰ পিছত সেই সৰু ছোৱালীজনীৰ কৰুণ মুখখন আৰু হৰিণীৰ দৰে চকু দুটালৈ মনত পৰি তিনিদিনমানলৈ মোৰ টোপনি নাহিল। ওচৰ - চুবুৰীয়াই চাগে 'মাৰপিট শুনি একো নজনাকৈ অকলশৰীয়া মহিলাগৰাকীকে সন্দেহ কৰিব। কাৰণ এইটো অসমীয়া মানুহৰ স্বভাৱ। দেৱীৰ দৰে সেই ছোৱালীজনীয়ে দীঘলীয়া জীৱনটো এইদৰেই কটাব লাগিব। কিমান আশা বুকুত বান্ধি এখন ঘৰৰ পৰা ওলাই আহিছিল। তেওঁক চাগে' ধুনিয়া দেখিয়েই বিয়া কৰাইছিল। এতিয়া মানুহে তেওঁক নিমন্ত্ৰণ কৰিবলৈও ভয় কৰা হ'ল। বেলেগৰ ব্যক্তিগত জীৱনত সোমোৱাৰ মোৰ কোনো অধিকাৰ নাই বুলি মই ভালকৈয়ে জানো যদিও কিয় এনে হ'বলৈ পায়, এই চিন্তাটোৱে মোক বাৰুকৈয়ে আমনি কৰিবলৈ ধৰিলে। তেওঁতো আমাৰ দৰেই এগৰাকী নাৰী। মনৰ কথাবোৰ লিখি পেলালে জানাচো কাৰোবাৰ সংসাৰত সুখৰ হাঁহি মেলে। কিন্তু এক পক্ষীয়ভাৱে কথাটো ভাবিলেতো নহ'ব। কোন সঁচা? জানিবলৈ মন গ'ল। গোপনে অনুসন্ধান কৰিলোঁ আৰু খুব সোনকালে সূত্ৰও বিচাৰি পালোঁ। হয়। মহিলাগৰাকীয়ে কোৱা কথাখিনিয়েই সত্য। পুৰণি অসমীয়া প্ৰবাদ এফাকিয়ে কাণৰ ওচৰত গুণগুণাই গ'ল -'চোৰেহে চোৰৰ ঠেং দেখে'।

আন এটা ঘটনা এখন চিনেমাত দেখিছিলো। তেতিয়া মোৰ বিয়া হোৱাই নাছিল, কিন্তু ঘটনাটোৱে মোৰ নাৰী হৃদয়ত আজিও কঁপনি তোলে। চিনেমাখনত কাহিনীটোৱে এক সুন্দৰ বাৰ্তা দিছে। নায়কে নায়িকাক প্ৰেমত পৰি বিয়া কৰাই আনিলে। এটা সৰু ঘৰত থাকে। নায়কৰ এজন নলে-গলে লগা বন্ধু আছিল। বিয়াৰ পিছত বন্ধু অবিবাহিত বাবে তেওঁৰ ঘৰলৈ প্ৰায়ে মাতে। বন্ধুজনো বৰ ভদ্ৰ। বন্ধুপত্নীৰ প্ৰতিও শ্ৰদ্ধা-মৰম, বন্ধুৰ দৰেই। তেওঁ কেতিয়াবা বন্ধুক লগ পাবলৈ আহি ঘৰত বন্ধুপত্নীকহে পাইহি। ভদ্ৰতাৰ খাতিৰত বন্ধুপত্নীৰ লগতে দুআষাৰ কথা পাতি যায়গৈ। স্বামী ঘৰলৈ আহিলে তেওঁৰ বন্ধু অহাৰ কথাটোও জনায়। লাহে লাহে স্বামীৰ পত্নীৰ ওপৰত সন্দেহ বাঢ়িবলৈ ধৰিলে। মই নথকাত সি কিয় আহে? তেনে এটা দিনতে স্বামী নথকা অৱস্থাত বন্ধুজন আহিল। কোঠাটোত একাষৰীয়াকৈ থকা ছোফাখনৰ পৰা অলপ দূৰত্বত তেওঁলোকৰ বিছনাখন। সেইদিনা বন্ধুজনে ছোফাত বহি চিগাৰেট এটা; লাই কথা পাতি আছে আৰু চিগাৰেটটো শেষ হোৱাৰ পিছত টেবুলত থকা ছাইদানিটোত থকাখিনি পেলাই গুচি গ'ল। তেওঁ যোৱাৰ পিছত মানুহগৰাকীয়ে বিছনাখনতে অলপ বাগৰো বুলি দুৱাৰৰ খিলিটো মাৰি ল'লে। বিছনাত অলপ সময় পৰোতেই কলিংবেলটো বাজি উঠাত ল'ৰালৰিকৈ আহি দৰ্জাখন খুলি দিলে আৰু স্বামীক দেখি মনটো ভাল লাগি গ'ল। কিন্তু ই কি? স্বামীৰ চকু এবাৰ তেওঁৰ কপালত, এবাৰ টেবুলত, আৰু এবাৰ বিছনাত। তাই মন কৰিলে বিছনা চাদৰখন অলপ কোঁচ খাই আছে। টেবুলৰ ছাইদানিটোত তেতিয়াও আধাখোৱা চিগাৰেটৰ অলপ ধোঁৱা ওলাই আছে। কপালত কি হ'ল বুলি আইনা চাই দেখে, গাৰুত মুখখন তললৈ কৰি শোৱাৰ বাবে গোল সেন্দুৰৰ ফোঁটটো আঁচ টনাৰ দৰে বেঁকা হৈ আছে । তেওঁৰ বুজিবলৈ বাকী নাথাকিল স্বামীয়ে কি সন্দেহ কৰিছে। ঠিক সেই সময়তে স্বামী গৰজী উঠিল। অৰ্থাৎ আজি ধৰা পৰিল। তেওঁ কথাখিনি ক'বলৈ আপ্ৰাণ চেষ্টা কৰিছে, কিন্তু স্বামীৰ সেইবোৰ শুনাৰ ধৈৰ্য্য নাই। ইতিমধ্যে মগজুত সন্দেহ সোমালেই। মুহূৰ্ততে তেওঁ ঘৰৰ পৰা চিৰদিনৰ বাবে ওলাই গ'ল। দুদিনমানৰ পিছত বন্ধুজন তেওঁলোকৰ ঘৰলৈ আহোঁতে বন্ধুপত্নীয়ে সকলো ক'লে। বন্ধুজনে কথাটো বুজি পাই মৰ্মান্তিক আঘাত পালে। বন্ধুৰ নিম্ন মানসিকতাক তেওঁ ধিক্কাৰ দিলে। ইমান পুৰণি বন্ধুৰ প্ৰতি ইমান অবিস্বাস। বিনাদোষত এগৰাকী নৱবিবাহিত পত্নীক অসহায় অৱস্থাত এৰি গ'ল। সেইদিন ধৰি মনৰ কষ্টত তেৰোঁ একেবাৰে নহা হ'ল। ইফালে স্বামী যি ঘৰৰ পৰা ওলাই গ'ল, বছৰ বছৰ তেওঁ বাহিৰতে কটালে। বুঢ়া বয়সত তেওঁ কাৰোবাৰ পৰা গম পালে যে এইবোৰ সকলো মিছা। তেওঁ পত্নীক বিচাৰি পুৰণি চহৰ পালেহি আৰু দেখে যে তেওঁৰ পত্নীয়েও অকলশৰীয়া জীৱন কটাই বুঢ়ী হৈ আশ্ৰমত।

চিনেমা হ'লেও এখন সুন্দৰ সুখী সংসাৰ সন্দেহৰ বশৱৰ্তী হৈ কেনেকৈ ধ্বংস হয় আমি দৰ্শক হিচাপে ভাল শিক্ষা পালোঁ । আকৌ কিছুমান ঈৰ্ষাপৰায়ণ মানুহ আছে, তেওঁলোকে লোকৰ সুখৰ সংসাৰ সহ্য কৰিব নোৱাৰে। সংসাৰখনত তৃতীয় পক্ষই সুবিধা মতে কথা লগাই কোনোবা এজনৰ মনত সন্দেহ সুমুৱাই সংসাৰ ভঙা চাই ৰং পায়। স্বামী - স্ত্ৰীৰ মাজত মনবিৰোধৰ উমান পালে বেছিকৈ সুবিধা লয়। সেই কাৰণে বাহিৰৰ মানুহৰ সন্মুখত ইজনে-সিজনক তিৰস্কাৰ কৰিব নালাগে। কোনোবাই কিবা ক'লেও দুয়ো মুকলিকৈ কথাবিলাক পাতিব লাগে। তেতিয়া লোকৰ সংসাৰৰ মাজত বাহিৰা মানুহ সোমাবলৈ সাহস নাপায়। ইয়াত বিশ্বাসেই হৈছে মূল ভেটি। সংসাৰ গঢ়া যিমান সহজ, ভাঙি পৰিলে তাক জোৰা লগোৱা অত্যন্ত কঠিন । বৰ্তমান যুগত ই ব্যাধিৰূপে দেখা দিছে। সকলোৰে সংসাৰ সুখেৰে ভৰি পৰক, তাকেই কামনা কৰি কথাখিনি লিখিলোঁ।

# দেশে পাহৰি গ'ল

যিখন ভাৰতবৰ্ষত স্বাধীনতা সংগ্ৰামী তথা ৰাষ্ট্ৰনেতা চৰ্দাৰ বল্লভভাই পেটেল, ড° ৰাজেন্দ্ৰ প্ৰসাদ, মৌলানা আবুল কালাম আজাদ আৰু খান আব্দুল গফ্ফৰ খান একেলগে আহাৰ গ্ৰহণ কৰি সম্প্ৰীতিৰ অনন্য নিদৰ্শন ৰাখি থৈ গৈছে আজি সেইখন ভাতৃত্ববোধৰ সমাজখনত পৰস্পৰে পৰস্পৰক বিশ্বাসত লব নোৱাৰাৰ পৰিবেশ সৃষ্টি কৰা হৈছে। বিভেদ ও বৈষম্যৰ বিষবাস্প বিয়পাই দি হিন্দু-মুছলমানৰ মাজত দুৰত্ব বৃদ্ধি কৰিব বিচৰা হৈছে, পিছে এয়া কেতিয়াওঁ হ'বলৈ দিয়া উচিত নহয়। হিন্দু, মুছলিম, বৌদ্ধ, খ্ৰীষ্টান, শিখ, জৈন যিয়েই নহওঁক কিয় সকলোৰে একেলগে মিলিজুলি আছিল, আছে আৰু আগলৈও থাকিব আৰু বুকু ফিন্দাই গাই যাব; 'মোৰ মনত ভেদভাৱ নাই অ আল্লাহ মোৰ মনত ভিনপৰ নাই অ আল্লাহ হিন্দু কি মুছলমান একে আল্লাৰ ফৰমান মোৰ মনত একেটি ভাৱ'। শেষত স্বাধীন ভাৰতৰ শ্বপ্নদ্ৰষ্টা মৌলানা আবুল কালাম আজাদৰ জন্মবাৰ্ষিকী উপলক্ষে তেখেতলৈ নিবেদিছোঁ শত কোটি শ্ৰদ্ধাঞ্জলি।

# বিশিষ্ট চিত্ৰশিল্পী তথা ছবি পৰিচালক পুলক গগৈৰ দেহাৱসান



ৰঙিলী বাৰ্তাসেৱা- বিশিষ্ট চিত্ৰশিল্পী তথা ছবি পৰিচালক পুলক গগৈৰ দেহাৱসান। ৰাতিপুৱা ৮.৩০ বজাত নিজ বাসগৃহতে শেষ নিশ্বাস ত্যাগ কৰে পুলক গগৈয়ে। কিছুদিন ধৰি অসুস্থ হৈ আছিল তেওঁ। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৪ বছৰ। ১৯৩৮ চনত যোৰহাটত জন্মগ্ৰহণ কৰিছিল পুলক গগৈয়ে। কেইবাখনো ছবি নিৰ্মাণ কৰিছিল পুলক গগৈয়ে। খোজ, শ্ৰীমতী মহিমাময়ী, ৰে'ল আলিৰ দুবৰি বন, সুৰুজ, মমতাজ, সদৰী, সেন্দুৰ, পত্নী, মৰম নদীৰ গাভৰু ঘাট আদি ছবি পৰিচালনা কৰিছিল পুলক গগৈয়ে।

# ইণ্ডো-নেপাল স্কেটিং চেম্পিয়নশ্বিপত দুটাকৈ স্বৰ্ণ পদক অৰ্জন মন্ত্ৰী পীযুষ হাজৰীকাৰ পুত্ৰ অৰ্থব অৰ্জুন হাজৰিকাৰ

ৰঙিলী বাৰ্তাসেৱা- নেপালৰ কাঠমাণ্ডুত অনুষ্ঠিত পঞ্চম ইণ্ডো-নেপাল ৰিয়েল ৰ'লাৰ স্কেটিং চেম্পিয়নশ্বিপত অৰ্থব অজুন হাজৰিকাই দুটাকৈ স্বৰ্ণ পদক অৰ্জনেৰে গৌৰৱ কঢ়িয়াই আনিলে। জানিব পৰা মতে, অৰ্থবই প্ৰতিযোগিতাখনৰ ৮ বছৰ অনুৰ্ধ্ব শাখাত ২০০ মিটাৰ আৰু ৪০০ মিটাৰত স্বৰ্ণ জয়ৰ কৃতিত্ব অৰ্জন কৰিছে। উল্লেখযোগ্য যে, অৰ্থব অজুন হাজৰিকা হৈছে ৰাজ্যৰ সামাজিক ন্যায়, তথ্য আৰু জনসংযোগ তথা জলসম্পদ মন্ত্ৰী পীযুষ হাজৰীকা আৰু অভিনেত্ৰী আইমী বৰুৱাৰ সন্তান। নেপালৰ কাঠমাণ্ডুৰ দশৰথ ৰংগাশালা ষ্টেডিয়ামত অনুষ্ঠিত পঞ্চম ইণ্ডো-নেপাল ৰিয়েল গ'ল্ড ৰ'লাৰ স্কেটিং চেম্পিয়নশিপত ভাৰতবৰ্ষৰ ৪৮ জন খেলুৱৈয়ে যোগদান কৰিছিল।

# ‘নিৰি মিডায়া’ৰ দ্বিতীয় বৰ্ষপূৰ্তি উদযাপন




ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীত প্ৰতিষ্ঠা কৰি বিশ্বৰ সাতখন দেশলৈ বিস্তাৰিত হোৱা আগশাৰীৰ মনোৰঞ্জনধৰ্মী প্ৰতিস্থান ‘নিৰি মেডিয়া’ৰ দ্বিতীয় বৰ্ষপূৰ্তি অনুষ্ঠান উদ্‌যাপন কৰা হয়।বৃহস্পতিবাৰে গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিত এই অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে পদ্মশ্ৰী বঁটাপ্ৰাপ্ত এলি আহমেদ, বিশিষ্ট সংগীত শিল্পী সদানন্দ গগৈ, ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত চলচ্চিত্ৰ পৰিচালক হেমেন দাস আৰু চলচ্চিত্ৰ প্ৰযোজক দ্বিজেন্দ্ৰ মোহন শৰ্মা। অনুষ্ঠানটি পৰিচালনা কৰি নিৰি মেডিয়াৰ সঞ্চালক জোনমণি দেৱী খাউণ্ডে বিগত দুটা বছৰত ‘নিৰি’ৰ সৈতে জড়িত সকলো ব্যক্তি, দৰ্শক আৰু ছাবস্ক্ৰাইবাৰসকলক ধন্যবাদ জ্ঞাপন কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত ‘ৰূপান্তৰ’ নামৰ এখন মননশীল বাংলা ৱেব ছিৰিজ দৰ্শকৰ বাবে মুকলি কৰি দিয়া হয়। বুটাম টিপি ৱেব ছিৰিজখন মুকলি কৰে সংগীত শিল্পী সদানন্দ গগৈয়ে। ‘নিৰি ৯’ নামৰ অ’টি টি প্লেটফৰ্মত এই ৱেব ছিৰিজখন দৰ্শকে উপভোগ কৰিবলৈ পাব। আনহাতে, ২০২৩ চনত নিৰি ৯ ত মুক্তি পাবলগা আকৰ্ষণীয় ৱেব ছিৰিজ মচ্ (বাংলা), ডিচিত (হিন্দী)ৰো পোষ্টাৰ মুকলি কৰা হয়। পৰিচালক হেমেন দাস আৰু প্ৰযোজক দ্বিজেন্দ্ৰ মোহন শৰ্মাই পোষ্টাৰকেইখন মুকলি কৰে। একেটা অনুষ্ঠানতে ‘যোদ্ধা- দ্য ফাইটাৰ্চ’ নামৰ এখন আকৰ্শনীয় ৰিয়লিটী শ্ব’ৰ পোষ্টাৰো মুকলি কৰা হয় একেটা অনুষ্ঠানত। ‘যোদ্ধা’ৰ পোষ্টাৰ মুকলি কৰে পদ্মশ্ৰী এলি আহমেদে। ইফালে, নিৰি মিডিয়াৰ প্ৰযোজনাত নিৰ্মাণ হৈ আছে এখন সুন্দৰ আৰু বিগ বেনাৰৰ হিন্দী চলচ্চিত্ৰ। ইতিমধ্যে দৃশ্যগ্ৰহণ সম্পূৰ্ণ হোৱা চলচ্চিত্ৰখনত মুম্বাইৰ বিশিষ্ট অভিনেতা ৰাজেশ টাইলাং, ৰিতু শিৰপুৰী, দেৱলীনা ভট্টাচাৰ্য্য, দিপান্বিতা শৰ্মা, ৰীণা ৰাণী, বোধিসত্ব শৰ্মা, অসমৰ বিশিষ্ট অভিনেতা বিভুতি ভূষণ হাজৰিকা, মনোজ বৰকটকী, মৃগেন্দ্ৰ নাৰায়ণ কোঁৱৰ, কমল লোচন, বনদীপ শৰ্মা আৰু নবাগতা ৰিতীষা খাউণ্ডে অভিনয় কৰিছে। পৰিচালনা প্ৰণৱ ডেকাৰ। চিনেমাট’গ্ৰাফী জ্ঞান গৌতমৰ। সংগীত পৰিচালনা কৰিছে পল্লৱ তামুলী আৰু সৌৰভ জ্যোতি মহন্তই। সম্পাদনা ঝুলন কৃষ্ণ মহন্তৰ। শব্দ সংযোজন কৰিছে অমৃত প্ৰীতমে (মুম্বাই)। শব্দ মিশ্ৰণ দেৱজিৎ চাংমাই (মুম্বাই)ৰ। ‘নিৰি মিডিয়া’ৰ বেনাৰত চলচ্চিত্ৰখন প্ৰযোজনা কৰিছে জোনমণি দেৱী খাউণ্ডে। উল্লেখ্য যে, বৃহস্পতিবাৰৰ এই অনুষ্ঠানত পদ্মশ্ৰী বঁটাপ্ৰাপ্ত এলি আহমেদে এই বিগ বাজেট হিন্দী চলচ্চিত্ৰখনৰ প্ৰথমখন পোষ্টাৰ মুকলি কৰি টীম ‘কুকি’ক শুভকামনা আৰু আশীৰ্বাদ জ্ঞাপন কৰে। প্ৰযোজকে জানিবলৈ দিয়া অনুসৰি সমগ্ৰ দেশৰ চিত্ৰগৃহত মুক্তি লাভ কৰিব ‘কুকি’য়ে। অনুষ্ঠানত ‘নিৰি মিডিয়া’ৰ সৈতে জড়িত বহুকেইগৰাকী গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# গুৱাহাটীত ৰাষ্ট্ৰীয় জুনিয়ৰ এথলেটিকছৰ শুভাৰম্ভ




ৰঙিলী বাৰ্ত্তাসেৱা- ‘আমাৰ দেশৰ এথলীট সকলৰ এতিয়া লক্ষ্য হ’ব লাগে ২০২৪ অলিম্পিক’ অসম এথলেটিকছ সন্থাৰ উদ্যোগত গুৱাহাটীৰ পল্টনবজাৰস্থিত ছাই খেলপথাৰত আজিৰে পৰা আৰম্ভ হোৱা জুনিয়ৰ ৰাষ্ট্ৰীয় এথলেটিকছ প্ৰতিযোগিতা শুভ উদ্বোধন কৰি এই মন্তব্য আগবঢ়াই শক্তিমন্ত্ৰী নন্দিতা গাৰলোচাই। ১১ ৰ পৰা ১৫ নৱেম্বৰলৈ অনুষ্ঠিত হ’বলগীয়া প্ৰতিযোগিতাখনত ২৮ খন ৰাজ্যৰ ২১১৩ গৰাকী এথলীটে অংশগ্ৰহন কৰিছে। প্ৰতিযোগিতাৰ প্ৰথম দিনটোতেহ ২ গৰাকী খেলুৱৈয়ে গঢ়া নতুন ৰাষ্ট্ৰীয় অভিলেখে সকলোকে উৎসাহিত কৰি ৰাখে। এই প্ৰতিযোগিতাখনত অনুষ্ঠিত ল’ৰাৰ ১৬ বছৰ অনুৰ্দ্ধ শাখাত ডিচকাছ থ্ৰ’ত ৫৭.০১ মিটাৰ দলিয়াই পূৰ্বৰ অভিলেখ ভংগৰে নতুন অভিলেখ গঢ়ে পাঞ্জাৱৰ দেবাঞ্চ জাপ্পাই। পূৰ্বে ২০২১ চনত গুৱাহাটীতে ৰামনাৰায়ন মৌৰয়াই ৫৩.১৭ মিটাৰ দলিয়াই অভিলেখ স্থাপন কৰিছিল। ডিচকাছৰ লগতে লং জাম্পৰ ছোৱালীৰ অনুৰ্দ্ধ-২০ বছৰ শাখাত ৬.৩৮ মিটাৰ জাম্পেৰে নতুন মীট ৰেকৰ্ড স্থাপন কৰিলে উত্তৰ প্ৰদেশৰ ছেইলী সিঙে। অনুষ্ঠিত প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে ছাত্ৰ আৰু যুৱ কল্যান উপদেষ্টা পৰিষদৰ সদস্য সচিব গীতাৰ্থ গোস্বামী, অসম এথলেটিকছ সন্থাৰ সভাপতি লক্ষ্য কোঁৱৰ, গুৱাহাটী ক্ৰীড়া সন্থাৰ সভাপতি পুলক গোস্বামী, অসম ভাৰোত্তোলন সন্থাৰ সম্পাদক ভৰজ্যোতি গোস্বামী, অসম খো খো সন্থাৰ সভাপতি ৰাজীৱ প্ৰকাশ বৰুৱা, প্ৰাক্তন আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ তৈবুননিছা, গুৱাহাটী ছাইৰ উপ সঞ্চালক প্ৰানজিত ভাগৱতী, ভাৰতীয় এথলেটিকছ ফেডাৰেচনৰ টেকনিকেল ছেয়াৰমেন স্টেনলি জনছৰ লগতে বহু গন্য-মান্য ব্যক্তি। উদ্বোধনী অনুষ্ঠানৰ পিছতেই প্ৰথদিনটোৰ পদক বিজয়ী খেলুৱৈ সকলক আমন্ত্ৰিত অতিথি সকলে পদকসমূহ প্ৰদান কৰে। ১৪, ১৬, ১৮, ২০ অনুৰ্ধ্ব বয়সৰ লৰা-ছোৱালী উভয়ৰে মাজত অনুষ্ঠিত প্ৰতিযোগিতাখনত ১১৮৮ জন ল’ৰা আৰু ৯২৫ গৰাকী ছোৱালী খেলুৱৈ অংশগ্ৰহন কৰিছে।

## শপতনামা



মই চহিদুল হক (Sahidul Hoque) পিতৃ- আনোৱাৰ হুছেইন (Anowar Hussain), মাতৃ- চালেহা বেগম (Saleha Begum) গাঁও / ডাক- সানোৱা, থানা- ছিপাঝাৰ, জিলা- দৰং (অসম), পিন-৭৮৪১৪৫ য়ে শপতনামা যোগে ঘোষণা কৰোঁ যে মোৰ শিক্ষাগত অৰ্হতাৰ নথিৰ লগতে আন কিছু নথিত মোৰ নাম Md. Sahidul Hoque আৰু Sahidul Hoque হৈ আছে। কিন্তু মই মোৰ প্ৰয়োজনত Sahidul Hoque নামটিহে ব্যৱহাৰ কৰি আহিছো আৰু পৰৱৰ্তী সকলো ক্ষেত্ৰতে মই Sahidul Hoque নামটিহে ব্যৱহাৰ কৰি যাম।

Sahidul Hoque
S/O Anowar Hussain
Saleha Begum

গাঁও/ ডাক- সানোৱা
থানা- ছিপাঝাৰ
জিলা- দৰং (অসম)

# পোহৰলৈ আহিছে ধূলা কাণ্ডৰ এটাৰ পাছত আনটো ৰহস্য

ৰঙিলী বাৰ্ত্তাসেৱা- দৰং জিলাৰ ধূলা থানাৰ অন্তৰ্গত এছ এছ বিৰ জোৱান কৃষ্ণ কমল বৰুৱাৰ ঘৰত অস্বাভাৱিকভাৱে মৃত্যুমুখত পৰা বনকৰা কিশোৰীগৰাকীক প্ৰকৃততে যৌন নিৰ্যাতন চলাই হত্যা কৰা হৈছিল। চি আই ডিৰ বিশেষ অনুসন্ধানকাৰী দলৰ তদন্তত এই কথা স্পষ্ট হৈছে বুলি চি আই ডিৰ বিষয়াক লগত লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে এই চাঞ্চল্যকৰ তথ্য ৰাজহুৱা কৰিছে। চি আই ডিৰ নেৱানেপেৰা জেৰাৰ অন্তত পোহৰলৈ আহিছে ধূলা কাণ্ডৰ এটাৰ পাছত আনটো ৰহস্য। ধূলা থানাৰ তদানীন্তন ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া উৎপল বৰাৰ গাড়ীচালক গুলেনুৰক আটক কৰি চি আই ডিয়ে জেৰা অব্যাহত ৰাখিছে। গুলেনুৰৰ জৰিয়তে কোন কোন আৰক্ষী বিষয়া বা অভিযুক্ত অন্য বিষয়াক ধন যোগান ধৰা হৈছিল, তাৰ তথ্য পোহৰলৈ আনিবৰ বাবে গুলেনুৰক জেৰা চলাই থকাৰ কথা জানিব পৰা গৈছে। ৰাজমোহন ৰায় আৰু আশীৰ্বাদ হাজৰিকাৰ গ্ৰেপ্তাৰৰ পাছতেই শনিবাৰে পুৱা ৰাজসাক্ষী হ’বলৈ সন্মতি প্ৰকাশ কৰে পূৰ্বৰ ভাৰপ্ৰাপ্ত বিষয়া তথা ধূলা কাণ্ডৰ অভিযুক্ত উৎপল বৰাৰ গাড়ী চালক গুলেনুৰে। উৎপল বৰাৰ গাড়ী চালক গুলেনুৰৰ ভাষ্য অনুসৰি অতিৰিক্ত আৰক্ষী অধীক্ষকৰ পৰা আৰম্ভ কৰি অভিযুক্তসকলে গুলেনুৰৰ জৰিয়তে ধনৰ লেনদেন কৰিছিল। কেৱল বিষয়া সকলৰ নামেই নহয়, কোন স্থানত কোন গৰাকী বিষয়াক কিমান ধন দিছিল সকলো খিনি তথ্যয়েই চি আই ডিৰ সন্মুখত গাড়ী চালক গুলেনুৰে প্ৰকাশ কৰিছে।

# ৰাস মহোৎসৱত কণ্ঠশিল্পী দীপলিনা ডেকালৈ শিলগুটি নিক্ষেপ

ৰঙিলী বাৰ্ত্তাসেৱা- নাৰায়ণপুৰ ৰাস মহোৎসৱত দৰ্শকৰ উদ্ভণ্ডালি। নাৰায়ণপুৰৰ টেঙাপথাৰত আয়োজিত ৰাসোৎসৱৰ অনুষ্ঠানৰ মাজতে সংঘটিত হয় অপ্ৰীতিকৰ পৰিস্থিতি। অনুষ্ঠানত মাজতে একাংশ উদণ্ড লোকে শিল্পীলৈ লক্ষ্য কৰি শিলগুটি নিক্ষেপ কৰে। উক্ত অনুষ্ঠানত উপস্থিত আছিল জনপ্ৰিয় কণ্ঠশিল্পী দীপলিনা ডেকা। শ্ৰীকৃষ্ণৰ



পূৰ্ণাংগ ৰাসলীলাত অভিনয় কৰিছিল দীপলিনাই। দৈৱকীৰ চৰিত্ৰ ৰূপায়ণ কৰিছিল দীপলিনা ডেকাই। দীপলিনাৰ অভিনয়ৰ সময়ত একাংশ উদণ্ড যুৱকে প্ৰেক্ষাগৃহলৈ লক্ষ্য কৰি শিলগুটি নিক্ষেপ কৰে। যাৰ ফলত প্ৰেক্ষাগৃহত এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। এই অপ্ৰীতিকৰ পৰিস্থিতিৰ বাবে আধাতে বন্ধ কৰিবলগীয়া হয় ৰাসৰ অনুষ্ঠান। দৌৰা দৌৰি, মাৰপিট আৰু শিলাবৰ্ষণৰ মাজত বন্ধ কৰা হয় ৰাসলীলা।

# ENGLISH NEWS SECTION

## Union Minister Nitin Gadkari calls on Governor



Guwahati,RB News- Union Minister for Road Transport and Highways Nitin Gadkari met Assam Governor Prof. Jagdish Mukhi at Raj Bhavan today and discussed the infrastructure projects being undertaken across the state. During the meeting the minister informed the Governor about his ministry's plan of harnessing the Brahmaputra for transportation and promotion of business and trade activities and to harness the tremendous power generation potential of the river. Gadkari also said that his ministry is also working to set up state of the art driving training centres, simulation training of drivers etc in the state. The Minister also informed about the scrapping policy and manufacturing of ethanol and methanol from bamboo and other biomass. He also said that there is a need for setting up of an International Design and Production Centre of Bamboo. Therefore, plan is on the anvil to push the bamboo and cane based industries to utilize the abundant bamboo and cane resources of North East India especially Assam. He also stressed on agro processing especially the pine apple processing which has a huge export potential. The Governor informed the Minister about his visits to the border areas and the need for greater development of border infrastructure. The Minister assured that steps will be taken to strengthen the infrastructure along border areas. In the meeting, Gadkari put greater focus on North East India especially Assam for logistics and greater connectivity.

## Governor Prof. Mukhi addresses second convocation of Assam Royal Global University



Guwahati,RB News- "Our students have great imaginations and infinite innovative potential. Universities must harness this potential and work as a catalyst for the promotion of research and development." said Assam governor Prof. Jagdish Mukhi while speaking at the second convocation of Assam Royal Global University today in the presence of the Union Minister for Road Transport and Highways Nitin Gadkari. Governor Prof. Mukhi who is the visitor of the university said that ever since Prime Minister Narendra Modi took charge of the country, there has been tremendous development in different sectors especially in science and technology. He appealed to the teaching and student community to familiarize themselves with the new age technology and contribute to the growth of our country using these technologies. Assam Global University should take a proactive role in helping its students in mastering the arts of these cutting edge technologies. The university should also help its students to equip and enable them to appreciate and address the problems confronted by the fellow citizens in rural and urban India. The Governor also said that he was happy that the Policy has created opportunities for holistic, flexible and innovative curricula for Higher Educational Institutions to include credit-based courses which will be helpful in promoting skills of the students. NEP also, primarily focuses on producing quality human resources with a modern outlook and firm faith in Indian cultural and tradition. He also hoped, Assam Royal Global University which is working very dedicatedly to implement NEP 2020 would take into consideration all the salient points and make itself a model university in terms of NEP 2022 implementation.

## Winter Session of Assam Legislative Assembly on 20 December, 22



Guwahati,RB News- The winter session of Assam Legislative Assembly will be held on December 20, 2022. It is published through a notification issued by Assam Legislative Assembly Secretariat.

## TV actor Siddhaanth Vir Surryavanshi passes away



RB News- Indian television actor Siddhaanth Vir Suryavanshi passed away, reportedly after suffering a heart attack. He was 46 years old. Siddhaanth has worked in several Indian daily soaps, like 'Kyun Rishton Mein Katti Batti,' 'Kkusum' 'Suryaputra Karn,' and others. **(source- google)**

## New Zealand's Greg Barclay re-elected ICC chairman




RB News- Greg Barclay has been re-elected unopposed as ICC chairman for another two-year term after Zimbabwe Cricket (ZC) chief Tavengwa Mukuhlani pulled out of the contest. This will be the second two-year stint for New Zealand's Barclay, who will now be in the position until 2024. The election assumed significance after Mukuhlani decided to enter the fray despite knowing Barclay enjoyed more support from the 16-strong ballot.
**(source- google)**

## India reports 734 new COVID-19 cases

India reported 734 new Covid infections in the last 24 hours taking the tally of COVID-19 cases to 4,46,66,377, according to the Union health ministry data updated on Sunday. The active cases in the country dipped to 12,307. The death toll has climbed to 5,30,531 with three more fatalities, including one reconciled by Kerala, the data updated at 8 am showed.
**(source- google)**




## Beauty of the Week



**Rekha moni das, Nagaon**

## Art of the Week



**Dipjyoti subedar, Class-7**

## Photography of the Week



**Debasish Goswami, Nagaon**

**#Beauty of the Week, #Art of the Week** আৰু **# Photography of the Week** লৈ আপোনালোকৰ ফটোবোৰ আমালৈ **E-mail** যোগে প্ৰেৰণ কৰক

**E-mail-**
**rongilibartamedhi@gmail.com**
**Whatsapp - 9854215286**

ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ ঁমহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286